# সাদৰী

ৰচয়িতা

শ্ৰীৰঘুনাথ চৌধাৰী

১০ম সংস্কৰণ

১৯৪৭

বেচ দেড় টকা মথোন

প্ৰকাশক
শ্ৰীগোপালচন্দ্ৰ বৰুৱা
বৰুৱা এ[redacted]
দীঘলী পুখুৰী[redacted]
গুৱাহা[redacted]

কলিকাতা,
১৬নং মার্কা[redacted]
শ্ৰীসুধীৰ কু[redacted]

# নিৰ্ঘণ্ট


| বিষয় | | | পিঠি |
|---|---|---|---|
| ভিক্ষা | ... | ... | ১ |
| আৱাহন | ... | ... | ৫ |
| বহাগীৰ বিয়া | ... | ... | ৮ |
| মাধুৰী | ... | ... | ১৫ |
| গোৱাহে এবাৰ মোৰ প্ৰিয় ৰিহঙ্গিনি | | ... | ১৮ |
| মৰমৰ পখী | ... | ... | ২৩ |
| কেতেকী চৰাই | ... | . | ২৭ |
| গোলাপ | .. | ... | ৩১ |
| ভেঁটকলি | ... | ... | ৩৪ |
| জোন আৰু জোনাকী | ... | ... | ৩৬ |
| বিশ্ব | ... | ... | ৪২ |
| উপমা | ... | ... | ৪৬ |
| ছায়াচিত্ৰ | ... | ... | ৪৯ |
| সখীলৈ | ... | ... | ৫৫ |
| গছৰ পাত | ... | ... | ৫৮ |
| ফল্গু | ... | ... | ৬২ |
| বশিষ্ঠাশ্ৰম | ... | ... | ৬৫ |
| মাতৃদেৱী | ... | ... | ৬৮ |

| বিষয় | পিঠি |
|---|---|
| শঙ্কৰদেৱ ... ... | ৭৪ |
| বৰ্ষা ... ... | ৭৬ |
| নৈৰ বুকত ... ... | ৭৯ |
| হেপাহ ... ... | ৮১ |
| নিৰাশ ... ... | ৮৩ |
| বিষাদ ... ... | ৮৬ |
| বণিজৰ কথা ... ... | ৮৮ |
| বিৰহীৰ উক্তি ... ... | ৯৬ |
| সন্তাপ ... ... | ৯৯ |
| মৰণ ... ... | ১০২ |
| পৰিশিষ্ট ... ... | ১০৪ |
| কবিতাবিলাকৰ সৰল ব্যাখ্যা ... | ১০৭ |
| পৰীক্ষাৰ প্ৰশ্নাৱলী ... ... | ১৩০ |
| কঠিন শব্দবিলাকৰ সৰল ভাঙনি | ১৩৫ |

# সাদৰী

## ভিক্ষা ।

নালাগে তোমাৰ প্ৰভু ঈশ্বৰ্য্য বিভূতি
ৰাজপদ, সম্মান গৌৰৱ ,
দাৰিদ্ৰ্যৰ লাওলোটা ভিক্ষাৰ সংজুলি
সেয়ে মোৰ অতুল বৈভৱ ।

নলওঁ ডিঙিত আঁৰি সম্ভ্ৰমৰ মালা
ভাবোঁ তাক অতি হেয় বুলি ;
অপমান, অপযশ, লাঞ্ছনা শিৰত
লম প্ৰভু আগ্ৰহেৰে তুলি ।

উচ্চাকাঙ্খা নাই প্ৰভু, ক্ষুদ্ৰ হৃদয়ত
কৰা মোক সকলোৰে সৰু ;
মাজ পথাৰত যেনে থাকে অকলই
পত্ৰ পুষ্প ফলহীন তৰু ।

নালাগে তোমাৰ প্ৰভু, পাৰ্থিৱ সম্পদ
দুদিনীয়া সুখৰ বাহানি,
অকলশৰীয়া কৰি মাজ বাটতেই
এৰি থই যায় বা কাহানি।

নালাগে সুন্দৰ দেহ কান্তি কমনীয়
ধুন-পেঁচ, আনন্দ বিলাস ;
ৰূপৰ ছলনা মাত্ৰ মোহৰ বিকা
সিবোৰত নাই অভিলাষ।

পিশাচিনী কামনাক দিছোঁ আঁতৰাই
তাই মোক দিছে বহু দুখ,
শৰীৰ শিয়ৰি উঠে পৰিলে মনত
ৰাক্ষসীৰ কদাকাৰ মুখ।

সন্মুখত ধনৰ যি আছে অন্ধকূপ
তাত যেন নিপিছলে ভৰি ;
চিৰদিন চিৰসুখী হম লাগে প্ৰভু
অভাৱৰ যন্ত্ৰণাত পৰি

যদিও অমৃত পৰি পিওঁ হলাহল
হিয়াখনি পৰি যায় কলা ;
নিবলে সহিম প্ৰভু, দিয়া আৰু মোক
সংসাৰত আছে যত জ্বালা ।

ভুগিছোঁ, ভুগিম আৰু দগ্ধ হৃদয়ত
শত শত বৃশ্চিক দংশন,
নকৰোঁ বেজাৰ প্ৰভু, তোমাৰ কাৰণে
আনন্দত থাকিম মগন ।

মুখৰ হাঁহিটি যদি সিও মাৰ যায়
ছিন্ন হয় আশালতা জুপি,
সান্ত্বনা দিওঁতা মোৰ আছে লগৰীয়া
বিষাদৰ চকুলো এটুপি ।

আশা-সুখ, শান্তি-প্ৰেম বাসনা তৃপিতি
সকলো যে মৰীচিকা ভ্ৰম ;
বহুৰূপী হই মোক ভুৱা দি মাথোন
ওপজায় চিত্তত বিভ্ৰম ।

দলী

সিকাৰণে সুখ বাঞ্ছা নকৰো, নালাগে
নিবিচাৰোঁ পোহৰৰ কাল ;
দলিয়াই দিলোঁ যত বস্তু মৰমৰ
মোৰ পক্ষে আন্ধাৰেই ভাল ।

যত দিয়া দুখদৈন্য কান্ধত চপাই
নানো একো বেজাৰ মনত ;
তোমাৰে বিভূতি জান সকলো সহিম
যত দিন থাকোঁ সংসাৰত ।

সুখ-দুখ, হাঁহি-অশ্রু, হর্ষ বা বিষাদ
তোমাতেই উদ্ভৱ বিলয় ;
অনুকূল, প্রতিকূল তুমিয়ে জীৱৰ
সকলোতে দেখোঁ তুমিময় ।

দয়াময় ! মাগোঁ এটি চৰণত ভিক্ষা
দিয়া মোক প্রাণত আশ্বাস ;
শিলৰ বেোৰ দৰে তোমাতে সদায়
থাকে যেন অটল বিশ্বাস ।

# আৱাহন।

আজি সুপ্ৰভাতে নৱ অনুৰাগে
ৰঞ্জিতা প্ৰকৃতি ৰাণী,
অপাৰ্থিৱ স্নেহ বিতৰিছে আহা
কৰুণাৰ ছবি খনি।

উষাৰ ৰহন সনা দুগালত
বালাৰ্ক সিন্দূৰ ভালে,
পৱিত্ৰ ভাৰত প্ৰাণ মুগ্ধ হয়
স্বৰ্গীয় দৃশ্যটি চালে

কুসুমাভৰণা দেৱ দিব্যাঙ্গনা
আনন্দে মগনা আজি,
প্ৰকৃতি ৰাজ্যত বিহৰিছে ৰঙ্গে
দিব্য অলঙ্কাৰে সাজি।

কুঞ্জ কাননত বহি শিলাসনে
মিলি যত দেৱবালা,
বন ফুল ছিঙি যতনেৰে গাঁথি
পিন্ধায় প্ৰেমৰ মালা।

অসীম অনন্ত সুনীল গগন
আনন্দে চুমিছে গিৰি,
প্ৰেম অশ্ৰু টুকি বইছে তটিনী
কুলু কুলু সুৰ ধৰি।

প্ৰতি গছে গছে লতায় লতায়
নবীন মাধুৰী খেলে,
অব্যক্ত আৰাৱ শুনি বিহঙ্গৰ
নাচে প্ৰাণ তালে তালে।

শেৱালি বকুল ৰাশি ৰাশি ফুল
ফুলিছে কানন ভৰি,
প্ৰেম আলিঙ্গন কৰিছে ধৰাক
দুবৰি বনত পৰি।

হালি জালি যেন জনাইছে সেৱা
আনন্দ উলাহে উটি,
আঁজলি আঁজলি পূজিছে মাতৃৰ
পদুম চৰণ দুটি।

কিবা অপৰূপ প্ৰকৃতিৰ শোভা
আহা কি সুখৰ দিন,
যতী সামবেদী কৰে বেদপাঠ
প্ৰেমানন্দে সৱে লীন।

বিষাদে মলিনা দীনা হীনা আজি
জননী জনমভূমি,
ধৰিছে তৰুণ লাৱণ্য মূৰতি
চালে যায় হিয়া পমি।

আহা হে জননী ইন্দু নিভাননী
দিয়াহি জ্ঞানৰ ভাতি,
হৃদয় মন্দিৰ ভক্তি নীৰে ধুই
ৰাখিছোঁ আসন পাতি

সাদৰা

নাজানো সাধনা নাজানো ভজনা
নাজানো বন্দনা আই,
নহওঁ তোমাৰ সুযোগ্য সন্তান
পূজিবৰো শক্তি নাই।

সাদৰে গ্ৰহণ কৰা হে জননী
সেৱকৰ পুষ্পাঞ্জলি,
স্বাৰ্থ বলিদান জীৱন আহুতি
দিলো চৰণত ঢালি।

---

## বহাগীৰ বিয়া।

প্ৰকৃতি জীয়াৰী গাভৰু ছোৱালী
বহাগী আইৰে বিয়া
উলহ মালহে সকলোৰে যেন
আনন্দে নধৰে হিয়া।

স্বৰগ মৰত সকলো ঠাইতে
উঠিছে আনন্দ বোল,
সাজন কাচন ৰংৰূপহত
গোটেই জগত ভোল।

অব্যক্ত সুৰত প্ৰেমিক ভ্ৰমৰে
দিলে সকলোতে জান,
গছ লতিকাৰ প্ৰতি শিৰে শিৰে
মুঞ্জৰি উঠিল প্ৰাণ।

শিমলু পলাশ অশোক মন্দাৰ
শ্যামল বিটপী ৰাজি,
জীৰ্ণ আভৰণ সলাই আহিছে
ৰাঙলী সাজেৰে সাজি।

কামিনী কাঞ্চন চম্পা নাগেশ্বৰ
সুগন্ধি কুসুম মালা,
ন ন ৰূপ ধৰি পুষ্প কাননত
পাতিছে প্ৰেমৰ খেলা।

মলয় সমীৰ গন্ধ বণিকৰ
গাত তত্ নাই কিয়া,
ফুলৰ সুঘ্ৰাণ বোকোচাত লই
হইছেহি বিলনীয়া।

ধুনীয়া ধুনীয়া লতাৰে মণ্ডিত
কুসুমিত তৰুৰাজি,
ৰমক্ জমক্ কৰি ঠায়ে ঠায়ে
দিছে বেইঘৰ সাজি।

হীৰক মণ্ডিত চন্দ্ৰাতপ খনি
ওলমিছে আকাশত,
আই বসুমতী দিছে পাটী পাৰি
সেউজীয়া আসনত।

আয়তী সকলে ৰভাৰ তলতে
কৰিছে যাৰ যি কাম,
কোনোজনী আহি দিছে পুষ্পাঞ্জলি
কোনোৱে গাইছে নাম।

জয়ে জয়ে আহি ফেঁচু চৰাইটি
মঙ্গল টিকলি দিলে,
দহিকতৰাই প্ৰভাতী সুৰত
স্তুতি গীত আৰম্ভিলে।

আম্ৰ কাননত ৰ'ওৱাল কুলি
লগালে এবাৰ মাত
গীতৰ ধ্বনিত স্বৰগত যেন
বহিল প্ৰেমৰ হাট।

ঝঙ্কাৰ উঠিল পুষ্প উপবন
বলিল প্ৰেমৰ বা,
হাঁহিটি মাৰিলে মাধৈমালতী
গাতে লগাই গা।

পাটৰ চেলেং গাত মেৰিয়াই
পাটমাদৈ চুঁচি মাজ
জোৰোণ পিন্ধাব আহল সুন্দৰী
পাটগাভৰুটি সাজ।

## সাজনী

সোণ বৰণীয়া        ডৰীয়া কাঞ্চন
    সোণাৰু, কনক চম্পা,
ৰচিলে ধুনীয়া        বেণীৰ আকাৰে
    কন্যাৰ লাহতী খোপা।

সিন্দুৰ ৰক্তিম        অলকা তিলক
    পিন্ধালেহি উষাৰাণী,
নিমজ গালত        কুসুম ফুল
    দিলেহি ৰহন সানি।

পিন্ধালে কাণত        ডালিম ফুলৰ
    বাখৰ পতোৱা কেৰু,
হাত দুখনিত        কুঞ্জলতিকাৰ
    সোণখতা মুঠিখাৰু।

পিন্ধালে ময়ূৰে        গোমচেং মেখেলা
    ভমকা ফুলীয়া চায়,
দিলে বুটা তুলি        ফুল বছা ৰিহা
    বচকী পখিলা বাই।

চাৰু ললন্তিকা নাৰ্জী ফুলৰ
আকনৰ কোত্‌মণি,
কাজলী ধৱলী অপৰাজিতাৰ
কঁকালৰ কৰধনি।

সাজি কাচি যেন আছে পাটৰাণী
গোলাপী শয্যাত বহি,
কিবা অপৰূপ ৰূপ লাৱণ্যত
পেলালে জগত মুহি।

ধৰিছে যোগান ফুলৰাণী সৱে
ফুলৰেণু কুঁহি পাত,
কোনো জনী আহি লছনৰ গুৰি
ছটিয়ায় ফাঁকু গাত।

কন্দৰ্প-কুমাৰ প্ৰেমিক বসন্ত
আহিছে দৰাটি সাজি
বিবিধ সুৰত পাৱিত্ৰ প্ৰেমৰ
উঠিছে বাজনা বাজি।

মাৰিলেহি মেঘে ঢোলত চাপৰ
জিলীয়ে বজায় কালি,
টুনী কুলবুলি নাচে ছেৱে ছেৱে
হেটুলুকা ওজাপালী।

নৱ পল্লৱিত তৰু শাখাবোৰে
হাতত চোঁৱৰ ধৰি,
কেতেকী বাহুকো বিয়া গাবলৈ
আনিছে বৰণ কৰি।

আজি পূৰ্ণিমাৰ ৰাতিটো চিকোন
আকাশ জোনেৰে ভৰা,
ৰজত ধৱল স্নিগ্ধ কিৰণত
হাঁহি উঠে বসুন্ধৰা

দীপক সুৰত জুৰিলে সঙ্গীত
বিহুৱা বাউলাজনী,
জিলিকি উঠিল কাম্য কাননৰ
নিকুঞ্জ মণ্ডপ খনি।

কণ্টক ক্ষত    সি প্ৰেম গীতত
ফুলিল কেতেকী ফুল,
ভেঁটফুল কলি    জল কুঁৱৰীবো
হৃদয় মুকলি হ'ল।

জড় জগতত    জীৱজগতত
পাওঁ সকলোতে দেখা,
মহাবিশ্বজুৰি    বিৰিঙিছে যেন
আনন্দৰ পূৰ্ণ ৰেখা।

---

## মাধুৰী

মন্দ মন্দ মকৰন্দ মদগন্ধে
মোদিত মাধৱী কুঞ্জ
মৃদু মধু ৰসে মথিত মৰ্দ্দিত
মঞ্জুল মঞ্জুল পুঞ্জ।

মৃদুল মধুৰ মলয় মাৰুতে
মৃত সঞ্জীৱনী আনি,
মুমূৰ্ষু জনৰ দিছে মৰ্ম্মস্থলে
মঙ্গল মাধুৰী সানি।

মল্লিকা মালতী মাগধী মুকুল
মুকুলিত মঞ্জু কুঞ্জে,
মধুময় গন্ধ মদিৰ মানসে,
মদান্ধ মধুপে গুঞ্জে।

মিলিছে মাধৱী মাধৱী পৰশে
মাকণ্ড মঞ্জৰি সঙ্গে,
মধুৰিমাময় মাঙ্গল্য মণ্ডিত
মঞ্জু মধু বন অঙ্গে।

মত্ত মদালাপী মাতে মুহুৰ্ম্মুহু
মোহিনী মোহন স্বৰে,
মানিনীৰ যেন মৰ্দ্দিলে মৰম
মদনৰ পঞ্চশৰে।

মন্থৰ গমনে মানস সৰসে
মৰাল মৰাল-বধু,
মুক্তসঙ্গী সঙ্গে ভুঞ্জে মহাৰঙ্গে
মৃদুল মৃণাল-মধু।

মেঘাগমাগমে মালঞ্চ মণ্ডপে
ময়ূৰ ময়ূৰীগণ,
মোহন নৰ্ত্তনে. মোহ মদে মত্ত
মোহিছে মানৱ মন।

মন্দিৰে মন্দিৰে মুমুক্ষু মণ্ডলী
মৃদঙ্গ মঞ্জীৰ বাই
মহেশ মহিমা মধুৰ কীৰ্ত্তন
মহানন্দ মনে গায়।

মুখৰিত আহা, মধুৰ মিশ্ৰণে
মঞ্জু কুঞ্জ বনং ৰাজি,
মম মনো কুঞ্জে উঠিছে মধুৰ
মোহন মুৰলি বাজি॥

———

# গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি !

গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি ।
শুনিলে অমিয়া মাত,
হৃদয় পৰিব শাঁত,
ললিত মধুৰ স্বৰে জীৱন তোষিণী,
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি !

যি সুৰত মুগ্ধ হয় বনৰ হৰিণী,
গীতৰ লহৰী তুলি,
গোৱা মন প্ৰাণ খুলি,
জুৰাক পৰাণ মোৰ মউ মাত শুনি,
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি

প্ৰকৃতিৰ লীলাভূমি সৌন্দৰ্য্যৰ খনি,
গহীন নিতাল বনে,
উলাহ আনন্দ মনে,
ডালে
হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি

কণ্ঠত মিলাই লই ছ'ত্রিশ ৰাগিণী
প্ৰেমিকা বিহগী তুমি,
ভুলালা কানন ভূমি,
গিৰি-গুহা উপবন, সিন্ধুতৰঙ্গিনী ;
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি

পৰে নে মনত পখী যমুনা তটিনী,
কদম গছিত পৰ,
পঞ্চমত সুৰ ধৰি,
কৰিছিলা ব্ৰজাঙ্গনা প্ৰেম উন্মাদিনী ;
গোৱা সেই সুৰে মোৰ প্ৰিয় বিহঙ্গিনি।

হৃদয়ৰ স্তৰে স্তৰে শৈশৱ কাহিনী,—
জগাই অতীত স্মৃতি,
তোমাৰ সুৰলা গীতি,
মানস হ্ৰদত হাঁহে আশা-কুমুদিনী ;
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি।

## সাদৰী

মৰ্ত্ত্যবাসী মানৱক দিবলৈ জুৰণি,
তোমা হেন প্ৰিয় নিধি
পঠিয়াই দিলে বিধি,
স্বৰ্গীয় দূতৰ বেশে কণ্ঠে সুধা সানি ;
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি

এবাৰ ঘূৰাই গোৱা মানস মোহিনী,
সৰলা বিহগী তুমি,
গীত শুনি যাওঁ পমি,
একাণপতীয়া হই থাকোঁ কিবা গুণি,
গোৱা হে কোমল সুৰে প্ৰিয় বিহঙ্গিনি !

জৰ্জ্জৰিত কৰে তনু সংসাৰ পোৰণি,
বীণাৰ মধুৰ তানে,
নাপাওঁ সান্ত্বনা প্ৰাণে,
অস্ফুট সঙ্গীতে দিয়া মৃত সঞ্জীৱনা,
নাভাঁৰিবা অভাগাক প্ৰিয় বিহঙ্গিনি

শান্তিৰ ভঁৰাল দেহি ! ক্ষুদ্ৰ হিয়া খনি,
নাজানা ভাগৰ প্ৰাণে,
নাজানা দুখ যে কেনে,
ফুল মধু চুহি ফুৰা ফুলনি ফুলনি,
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি !

কোৱাচোন প্ৰিয়তমা কাক নো বখানি
কুঞ্জে কুঞ্জে ঘূৰি ঘূৰি,
গোৱা কত ঠেও ধৰি,
প্ৰেমিক মিলন গীতি মধুৰ ভাষিণী,
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি !

বলিয়াৰ দৰে ফুৰোঁ বননি বননি,
গছৰ তলত গই
সিঞাৰো বাঁহীটি লই
বুজোঁ গানৰ তেও ভাব উদগনি,
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি !

কত বাৰ শুনিছিলোঁ নালাগে আমনি:
তোমাৰ মাধুৰী সনা,
প্ৰেম গীতি আৰাধনা,
কেনেকৈ পাহৰিম সেই সুখ কণি,
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি।

ক'ত পাম সেই শক্তি জ্ঞান বিকাশিনী—
হিয়া প্ৰেম ৰসে ভৰা,
বনে বনে গাই ফুৰা,
বিভুৰ মহিমা যশ তুমি বিৰহিণী,
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি!

বিহগী নোহোৱা তুমি কাৰ প্ৰেমাধীনি
কোনে নো কৰিলে কোৱা,
অমৃতৰ ভাৰ বোৱা,
কোন সেই জন প্ৰেম-কৰুণাৰ খনি,
দেখুৱাই দিয়া মোক প্ৰিয় বিহঙ্গিনি!

'শুনা হে এবাৰ পখী অভাগাৰ বাণী
নালাগে পাৰ্থিৱ সুখ,
নকৰো মনত দুখ,
তোমাৰ লগতে উৰি যাওঁ বিহঙ্গিনি !
সদায় বইছে য'ত প্রেম-মন্দাকিনী !

———

## মৰমৰ পখী ।

প্রকৃতি বুকত বইছে বেগেৰে
বহল এখনি নই ;
কতনা বিৰিখ উভালি জাৰণি
সিন্ধুত মিলিছে গই ।

দাঁতি কাষৰীয়া পুৰণি কলীয়া
আছিল এজোপা বট,
নানা ব পখী উৰি আহি
লইছে জিৰণি তাত ।

## সুন্দৰী

পাতৰ আঁৰত আছিল লুকাই
আজলী চৰাই এটি,
ৰ'দৰ ৰশ্মিত কৰে তিৰ্‌ বিৰ্‌
সেউজীয়া পাখি দুটি।

এনো নো ধুনীয়া সৰু চকু যুৰি
চালে যায় হিয়া পমি,
কোনে সৰজিলে নিখুঁত যন্ত্ৰত
কোন সিটি বিশ্বকৰ্ম্মী!

পচিমৰ পৰা ৰিব্‌ ৰিব্‌ কৰি
বলিছে বতাহ জুৰ,
ৰঙিয়াল পখী ধৰিছে গানৰ
ভুবন ভুলোৱা সুৰ।

মৰতত যেন অমিয়াৰ সোত
দিগন্ত বিয়পি ব'লে;
অফুট সঙ্গীতে লগে লগে মোৰ
প্ৰাণ মন আকৰ্ষিলে।

মনৰ আৱেগ বাখিব নোৱাৰি
চাপিলোঁ গছৰ গুৰি ;
কাঁইটীয়া বনে বেৰি আছে গছ
যাব'ল নচলে ভৰি।

সকলো বিঘিনি আঁতৰাই থই
মৰমৰ পখী ধৰি ;
যতনেৰে আনি চেনেহ জৰিৰে
বান্ধিলো তুখনি ভৰি।

তৰহে তৰহে সুৰভিত ফল
দিওঁ আনি খাবলই ;
নির্ম্মল সোতৰ দিওঁ চেঁচাপানী
পিয়াহত পিবলই

ভাবিলোঁ মনতে নিতউ এবেলি
ডালৰ ওপৰে বহি ;
শুনাব সঙ্গীত নাচিব কোলাত
ডেও দি দি উৰি আহি।

মুবুজিলে। হায়! কপট চাতুৰী
দুষ্ট সেই বিহঙ্গৰ;
কোমল হিয়াত চোকা বিহসনা
মাৰিলে এপাত শৰ।

নিস্বার্থ প্রেমৰ কঠিন বান্ধনি
অলক্ষিতে সোলোকাই
দিগছো বনলৈ
গ'ল পখী পুনৰায়।

বিৰহৰ ঢৌ হিয়াত বাগৰি
বোৱালে চিন্তাৰ ধাৰ;
ই জীৱনে আৰু নাপাওঁ সি সুখ
মিলন মাধুৰী পাৰ।

———

# কেতেকী চৰাই

'অ' কেতেকী' ! 'অ' কেতেকী' কিয় এনেদৰে
শূন্যে শূন্যে উৰি উৰি,
কিয় ফুৰা ঘূৰি ঘূৰি,
কাৰ নো বিৰহ গোৱা অবুজ ভাষাৰে।

গগন বিহাৰী পখী কোন তুমি কোৱা,
লোকালয় এৰি তুমি,
ফুৰা ডালে ডালে ভ্ৰমি,
আবেগ সুৰত কিনো প্ৰেম গীত গোৱা!

স্বাধীন ভাবেৰে পূৰ্ণ হৃদয় তোমাৰ
গহীন জাৰণি বন,
কিম্বা পুষ্প উপবন,
কৰা গই তুমি তাত আনন্দে বিহাৰ!

"কেতেকী" লাহৰী নাম কি গুণত ল'লা,
কাৰ প্ৰেমে মত্ত হই,
ঘোৰ অৰণ্যত গই,
গছ লতা গিৰি নদী সন্নাকে ভুলালা।

প্ৰেমগীত গাবলই ক'ত নো শিকিলা।
একেটি ভাৱৰ গানে,
একেটি প্ৰাণৰ তানে,
কঠুৱা সংসাৰ তুমি কোমল কৰিলা।

নিজম দুপৰ নিশা গহীন বনত,
অমিয়া গীতৰ ধাৰ,
শুনিছিলোঁ কত বাৰ,
ধীৰে ধীৰে মিলি যোৱা ধীৰ বতাহত।

মৰতত বই যোৱা সঙ্গীতৰ ধাৰা
একেথৰে শুনি শুনি
থাকোঁ কিবা ভাবি গুণি,
আপোনাক আপুনিয়ে হওঁ আত্মহাৰা।

তোমাৰ সঙ্গীতে প্ৰিয়ে জানে কি মোহিনী,
আশাৰ পদুম পাহি,
মাৰে মিচিকিয়া হাঁহি,
হৃদয় বীণাত বাজে প্ৰেমৰ ৰাগিণী?

প্ৰেমিক মিলন আশা বুকে বান্ধি লই,
আনন্দ সোঁতত ভাহি,
বজাই মৃদুল বাঁহী,
মিলন বাতৰি দিয়া প্ৰেমিকক গই।

তুমি বিনে সুখী কেও সংসাৰত নাই,
পৰৰ সুখত সুখী,
পৰৰ দুখত দুখী,
একেটি উদ্দেশ্য লই ফুৰিছা সদায়।

বনৰ বিহগ তুমি প্ৰেমৰ ভিখাৰী,
মানুহৰ ৰীতি-নীতি
দুদিনীয়া স্নেহ-প্ৰীতি
সকলোকে নেওচা দি হ'লা বনচাৰী।

## সাদৰী

কিহেতু নোচোৱা পখী মানুহৰ মুখ,
পাৰ্থিৱ সুখৰ লাক
নালাগে নে ভাল বাক
সঁচাকৈয়ে নাই নেকি সংসাৰত সুখ ?

শুনিবা নে প্ৰিয় সখা কথা এটি কওঁ—
একোকে নালাগে মোক,
নকৰোঁ বেজাৰ শোক,
জন্ম জন্মান্তৰে যেন তোমাকেহে পাওঁ ।

সুন্দৰ দুখনি হিয়া নাই ভেদাভেদ,
একে ধ্যান একে জ্ঞান,
মিলি যাব দুটি প্ৰাণ,
কদাপিতো দুজনৰ নহব বিচ্ছেদ ।

———

# গোলাপ।

কাৰ পৰশত ফুলিলি বাৰ্দ্ধে
অ' মোৰ সাদৰী ফুলাম পাহি,
শ্যামলী পাটৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি

কোন নন্দনত লগালি চমক
নাচিছে য'ত পৰী বুল্‌বুল্‌,
অভিশপ্তা হই বিলাস কুঞ্জত
প্ৰেম মদিৰাত যেন মছ্‌গুল্‌।

হাচ্‌নাহানাৰ তীব্ৰ গন্ধত
সপোন বিভোৰ মাধৱী নিশা,
তোৰ পৰশত বিৰহী জোনৰ
পলাল নে প্ৰিয়ে প্ৰাণৰ তৃষা!

আৰব পিয়াৰী বচ্‌ৰা বাণী
গুলবদন পেলালি জুৰ,
ভাহি ফুৰে তোৰ ৰূপ তৰঙ্গত
পাপিয়াৰ স্নিগ্ধ কৰুণ সুৰ!

ফুলিলি যিদিনা মৰু উদ্যানত
উৰিল সৌৰভ জগত জুৰি,
গগন চুম্বী 'কলোচচে' তোৰ
পান কৰিলে ৰূপ মাধুৰী!

আছিলি নে প্ৰিয়ে বেবিলনৰ
গুলবাগানত ফুলৰ ৰাণী,
স্বৰ্গৰ নন্দন সাজিলি শূন্যত
কবিৰ মুখত অমৰ বাণী।

ৰূপ ৰস গন্ধ পৰশ প্ৰেমত
জিনিলি পিয়াৰা হিন্দুস্থান,
বাদছা হেৰেম কৰি গুলজাৰ
দিল দৰিয়াত তুলিলি বান!

তোৰ ই ৰূপত জগত বিভোল
ঢালিলি প্ৰেমৰ বিমল ধাৰা,
দিল্লীৰ বেগম নুৰজাহানৰ
আছিলি নে তয়ে দিলবাহাৰা?

কোন সুন্দৰীৰ নিমজ গালত
ফুটাই তুলিলি চিকণ কাজ,
উঠিল প্ৰেমিক ছাহজাহানৰ
ভুবন বিজয়ী মৰ্ম্মৰ তাজ!

কত কাব্যগাথা অতীতৰ স্মৃতি
উদাস প্ৰেমৰ মূৰ্ত্ত বিকাশ,
বিজড়িত তোৰ কোমল বুকুত
কত বিৰহীৰ হা-হুতাশ!

ফুলিবি নে মোৰ মানস কুঞ্জত
অ' মোৰ দৰদী ফুলাম পাহি,
উঠিব নে বাজি প্ৰিয়া পাপিয়
পুলক ভৰা মিলন বাঁহী।

# ভেট কলি।

অযত্ন-পালিতা কন্যা বিলৰ মাজত
আফুলন ভেঁটফুল পাহি ;
আন্দোলিত মলয়াৰ মৃদুল গতিত
উলাহত যায় উটি ভাহি।

সুগন্ধি ৰহন সনা সৌন্দৰ্য্য প্ৰতিমা
প্ৰকৃতিৰ নন্দন বনত ;
সৰতৰ শোভা ৰাশি একে লগে যেন
সৰজিলে বিধি নিজানত।

অব্যক্ত ভাৱত ক'লে প্ৰেমিক ভ্ৰমৰে
প্ৰিয়তম মিলন বাতৰি ;
একে ধ্যানে ৰ'ল চাই প্ৰিয়া মুখ লই
বিৰহিণী ফুলৰ কুৱঁৰী।

হো-ঘৰৰ পৰা জোনে মৰত ভূমিত
সান্ত্বনা কিৰণ দিছে ঢালি ;
অভেদ আতমা দুটি বিশ্ব সংসাৰৰ
হৃদয়ে হৃদয়ে প'ল মিলি

নীল সাগৰত হাঁহে স্বভাৱ সুন্দৰী
আনন্দত পৰাণ বিভোৰা ;
বিৰহী জনক আহা বিলাইছে প্ৰেম
মোকোলাই গোন্ধৰ সম্ভৰা ।

লাৱণ্য, বিনয়, প্ৰীতি হিয়াৰ সম্বল
লাজ, মান, মুখৰ ওৰণি ;
নোহোৱা পাৰ্থিব ধন স্বৰ্গীয় কুসুম
শোভি আছা প্ৰকৃতি ফুলনি

নাজানো অবোধ নৰে আদৰ মৰম
নিচিনো তোমাক ফুলকলি ;
জলৰ কুঁৱৰী দেৱী অমৰ পূজিতা
দিয়া মোক শান্তিৰ আঁজলি

অমল ধৱল ৰূপ লৱণু সদৃশ
দিলে কোন বিশ্বখনিকৰে ;
দেখুৱাই দিয়া বাট যাওঁগৈ বিচাৰি
হাবি বন দেশ দ্বীপান্তৰে।

কোৱাচোন ক'তপালা এনে ঈশ-জ্যোতি
দুৰ্ভাগাক দিয়া সমিধান ;
শিকোৱা ধৰম নীতি কৰিছোঁ গোহাৰি
হৃদয়ত লভোঁ দিব্য জ্ঞান।

---

# জোন আৰু জোনাকী।

জোনাকীপৰুৱা এটি সন্ধিয়াপৰত
সৰু সৰু পাখি দুটি মেলি
হিয়াভৰা আনন্দত আপোনাআপুনি
ফুৰিছিল কত খেলা খেলি।

## জোনাকী

আকাশী কোলাত থাকি চিকৃমিক কৰি
নাচি নাচি উৰি উৰি যায়
কেতিয়াবা জ্বলি উঠে ঢিমিকঢামাক
সন্ধিয়াৰ জেউতি বঢ়াই।

তলত জোনাকী নাচে ওপৰত তৰা
কিবা ৰূপ অতি অনুপম!
জনাইছে আগ্ৰহেৰে ইটিয়ে সিটিক
হৃদয়ৰ চেনেহ মৰম।

কৰবাৰ পৰা আহি এছাতি বতাহ
লাহে লাহে হল সঞ্চালিত
বিপদৰ আগন্তুক দেখি পৰুৱাৰ
ক্ষুদ্ৰ প্ৰাণ হল বিচলিত।

এবাৰ ওপৰ উঠে এবাৰ তলত
ঘনেপতি ফুৰে ঘূৰি ঘূৰি
বিষম আঘাত দেহি নোৱাৰি সহিব
মাটিতেই পৰিল বাগৰি!

লক্ষ পাখি দুখনিৰে কৰি বহু যত্ন
হল দেহি উঠিব নোৱাৰা
নিমাখিত প্ৰাণীটিৰ দেখি ই বিলাই
কয় জোনে আকাশৰ পৰা ;—

জীৱজগতৰ এটা ক্ষুদ্ৰ প্ৰাণী হই
তই মোক কৰ উপহাস
নিলগতে থাকি মই হাঁহো মনে মনে
দেখি তোৰ দুষ্ট অভিলাষ ।

তোৰ দৰে লক্ষ প্ৰাণী লগ হব যদি
তথাপিতো পোহৰ নহয়
সংসাৰত আছ বুলি কোনেও নাজানে
কোনো তোৰ বাতৰি নলয় ।

ঘৰবাৰী নাই তোৰ নিঠৰুৱা প্ৰাণী
তৃণেইহে আশ্ৰয়ৰ স্থল
আকাশ লঙ্ঘিব খোজ ক্ষুদ্ৰ শক্তি লই
পালি তাৰে হাতে হাতে ফল ।”

লাহে লাহে সুস্থ হই সক পৰুৱাটি
কলে কথা জোনক সম্বোধি—
"বিৰাট শৰীৰ হেৰা, নিৰাপদে তুমি
আছা নেকি জনম অবধি ?

মাৰিলা মিচিক কৰে হাঁহি জ্ৰূকুটিৰ
দেখি মোৰ আলাই-বিলাই
সিজনক সুধি আহাঁ হেৰা অভিমানি
সৰজিলে মোক যি জনাই ?

দিওবা ক্ষুদ্ৰ জীৱ ক্ষুদ্ৰ শক্তি মোৰ
নাই কিন্তু দুৰাশা মনত
বিবেক আগত ৰাখি চলোঁ ৰঙমনে
কৰ্ত্তব্যৰ সাধন পথত।

ক্ষুদ্ৰ হৈও চিৰকাল স্বাধীন যি জন
দুখতেই থাকে প্ৰাণধৰি
ভাবি চোৱা সেইজন কিমান মহৎ
পৰাধীন জীৱনত কৰি।

যেতিয়া গেটেই বিশ্ব ৰাতি চাৰিপৰ
ডুবি থাকে ঘোৰ আন্ধাৰত
পথ ভুলা পথিকক ক্ষুদ্র জেউতিৰে
থওঁ গই গন্তব্য পথত।

আন্ধাৰ ৰা পোহৰত স্বাধীন ভাৱেৰে
লই ফুৰোঁ ঈশ্বৰৰ নাম
ক্ষুদ্র শকতিৰে মই পাৰোঁ যিবা খিনি
জগতৰ সাধোঁ হিত কাম।

জানিবা নিশ্চয় তুমি নোহাৱা স্বৰূপ
এফেৰিও নাই স্বাধীনতা,
মিছাতেই ওফন্দিছা যৌৱন ভেমত
হুদিনীয়া পাই ৰূপ-ছটা।

জ্যোতির্ম্ময় সূৰুযৰ করুণা গুণত
লভি আছা চিকোণ পোহৰ
গ্ৰহৰ মাজতো তুমি উপগ্ৰহ এটি
তাতো নাই অস্তিত্ব নিজৰ।

জগৎ জোনালিময় তোমাৰ ৰূপত,
ভাবা তুমি বিৰাট আকাৰ,
নাথাকিব কিন্তু এই ৰূপৰ গৰব
দুদিনেতে হব ছাৰখাৰ।

ৰূপত বলিয়া হই কিয় জগতৰ
সকলোকে হীন যেন দেখা
ভাল কৰি মনি চোৱা নিজ শৰীৰত
আছে দেখো কলঙ্কৰ ৰেখা ?

লঘু লাঞ্ছনাৰো হাত নোৱৰা সাৰিব
জীৱনত আছে দুখ বহু ;
ভৰপূৰ যৌৱনতে অহঙ্কাৰ চূৰ্ণ
কৰিবহি মহাকাল ৰাহু।

মায়াবিনী আঁউসীৰ কুহক জালত
বান্ধ খাই পৰিবা যিদিনা
মৰমৰ বস্তু দুটি ৰূপ যৌৱনৰ
পৰিণাম বুজিবা সিদিনা।"

এনেতে পুৱাল ৰাতি আঁতৰিল জোন
জোনাকীও হল অন্তৰ্দ্ধান ;
কোন সৰু কোন বৰ হুয়োৰো মীমাংসা
ইঙ্গিততে দিলে সমিধান ।

---

## বিশ্ব ।

কিয়বা উষাৰ ভালে
হিৰণ্ময় জ্যোতি,
কিয়বা হিমাদ্ৰিশৃঙ্গে
ধৱল কিৰিটি ?

কিয়বা চন্দ্ৰমা উঠে
শূন্যৰ কোলাত,
কিয়বা বিজুলী হাঁহে
মেঘৰ আঁৰত ?

কিয়বা তৰাৰ ৰাশি
নীলিম আকাশে,
কিয়বা আতপৰশ্মি
দিগন্ত প্ৰকাশে ?

কিয়বা বসুধা ঘুৰে
গ্ৰহৰ লগত,
কিয় পানীগছা বাঁজে
নীল সাগৰত ?

কিয়বা শ্যামল পত্ৰ
গছ লতিকাৰ,
কিয়বা বিচিত্ৰ পাখি
ক্ষুদ্ৰ পখিলাৰ ?

কিয়বা ৰত্নখনি

কিয় ভুজঙ্গিনী পালে
মণিটি শিৰত ?

কিয়বা হৰিণী মুগ্ধ
দেখি মৰীচিকা,
কিয়বা চকোৰে পিয়ে
অমল চন্দ্ৰিকা ?

কিয়বা সুগন্ধ নাই
সকলো ফুলৰ,
কিয়বা নেদেখোঁ ফুল
ভক চন্দনৰ

কিয়বা পীযূষে ভৰা
স্তন জননীৰ,
কিয় ৰিব ৰিব বয়
মলয় সমীৰ ?

কিয়বা বজায় জিলী
সুললিত বীণা,
কিয়বা তটিনী হ'ল
সিন্ধু প্ৰেমাধীনা !

কিয়বা প্ৰকৃতি হাঁহে
বসন্ত কালত,
কিয়বা পছুম পাহি
ফুলে নিজানত ?

কিয়বা জোনক দেখি
হাঁহে ভেঁট ফুল,
কিয়বা ফুলৰ গোন্ধে
ভোমোৰা বিভোল ?

কিয়বা কুলিৰ মাত
এনে সুধা সনা,
পাৰ্থিৱ বস্তুত যাৰ
নহয় তুলনা !

কোন চিত্ৰকৰে অঁকা
নিভাঁজ চিত্ৰটি,
ৰূপৰ মাধুৰী সনা
ম'ৰা পাখী দুটি !

মোহন মূৰতিখনি
প্ৰাণ ভৰি চাওঁ
চকুৰ নপৰে ছেদ
তথা লাগি ৰওঁ ।

সুন্দৰ অখিল বিশ্ব
অদ্ভুত নিৰ্ম্মাণ
কি বুজিম মূঢ়মতি
উদ্দেশ্য মহান্ !

ভাবিলে নাপাওঁ অন্ত
ইসব কাৰ্য্যৰ,
তোমাৰ অনন্ত লীলা
পৰম ঈশ্বৰ !

---

# উপমা।

মেঘমুক্ত নীল আকাশী কোলাত
পূঁৱতীয়া ভোটা তৰা
নিখিল ধৰাৰ শ্যামল কোলাত
সুন্দৰ ঘাঁহনি দৰা

স্বচ্ছ নীৰে ভৰা হ্ৰদৰ কোলাত
ধুনীয়া পদুম পাহি,
স্বভাৱ সুন্দৰী উষাৰ কোলাত
ভুৱন মোহন হাঁহি।

বিৰিঙি উঠিছে প্ৰকৃতি কোলাত
বিন্দু বিন্দু হিম কণা,
হিৰণ কিৰণ আভৰণে যেন
বিভূষিতা দিগঙ্গনা

বাসন্তী কোলাত ফুলৰ হাঁহিটি
বিহগৰ কলতান,
মৃদুল মলয় সমীৰণে তাতে
কৰে প্ৰেমামৃত দান।

সহকাৰজুপি মাধৱী লতাক
কোলাত সাৱটি লই,
দাম্পত্য প্ৰেমৰ পৱিত্ৰ চানেকি
ইঙ্গিতেৰে দিছে কই!

তৰু লতিকাৰ শ্যামলী কোলাত
ফলে ফুলে জাতিষ্কাৰ,
তাতে পৰি পখী ললিত ঝঙ্কাৰে
গায় গীত মাহমাৰ!

বিপুল বাৰিধি কোলাত জিলিকে
প্ৰৱালৰ দ্বীপ মালা,
নইৰ কোলাত আহা কি সুন্দৰ
তৰঙ্গৰ লীলা খেলা!

সান্ধ্য গগনৰ হেঙুলি কোলাত
সৌন্দৰ্য্য প্ৰতিমাখনি,
অপৰূপ ৰূপে সাজি কাচি যেন
বিহৰিছে সন্ধ্যা ৰাণী।

নীল আকাশৰ নীলিম কোলাত
শৰতৰ মেঘমালা,
ৰূপহী তৰাই জোনক আৱৰি
খেলায় প্ৰেমৰ খেলা!

ঘোৰ অন্ধকাৰ আঁউসী কোলাত
খদ্যোতৰ ক্ষীণ জ্যোতি,
কাৰ নো মহিমা কৰিছে বিকাশ
বায়ু সাগৰত উটি!

মেঘৰ কোলাত কৰে চিক্ মিক্
আজলী বিজুলী বালা,
মানিশা যেন হীৰা মাণিকৰ
পিন্ধিছে মোহন মালা!

চিৰ স্নেহময়ী মাতৃৰ কোলাত
শিশুৰ মধুৰ হাঁহি,
অপত্য স্নেহৰ দৃশ্য মনোহৰ
জগৎ পেলায় মুহি।

বিৰাট বিশ্বৰ চাৰু চিত্ৰ দেখি
অতীত মনত পৰে,
চিৰকাল যেন উমলি ফুৰিম
অজান শিশুৰ দৰে।

———

## ছাঁয়া চিত্ৰ।

দিপলিপ এটি ৰূপহী ছোৱালী
কাষত কলহ লই,
নইৰ পাৰত আবেলি পৰত
নিতৌ ওমলেগই

আহা কি অপূৰ্ব্ব ৰূপৰ মাধুৰী
দশন মুকুতা পাঁতি,
পকা বিম্বফল সদৃশ লাৱণ্য
হেঙুলীয়া ওঁঠ দুটি।

ঈষৎ বঙ্কিম ভ্ৰূ যুগল ৰেখা
খোপাত মালতী ফুল ;
ক্ষীণআভা পৰি নিমজ গালত
ধৰিছে হেঙুলি বোল।

হাহোঁ হাহোঁ কৰা কোমল মুখত
আনন্দৰ পূৰ্ণ ৰেখা ;
নোৱাৰোঁ চিনিব উৰ্ব্বশী মেনকা
কিম্বা দেৱী চিত্ৰলেখা।

ধীৰ বতাহত নাচে ঠেও ধৰি
দীঘলীয়া চুলিটাৰ ;
চউ খেলি খেলি উৰি উৰি যায়
বিহাৰ আঁচল গাৰ

কোনেও মুস্মুণ্ডা ফুলবোৰ ছিঙি
কোঁচত ভৰাই লই ;
পানীৰ সোঁতত এটি এটি কৰি
উটুৱাই দিয়ে গই !

সন্ধিয়া তৰাটি নীল গগনত
যেতিয়া ভুমুকি মাৰে ;
আপোন ৰূপটি পাহৰি কন্যাই
চাই থাকে একে থৰে।

কোটী যোজনৰ আঁতৰত থাকি
ইটিয়ে সিটিক মাতে ;
দুইয়ো দুয়োবো মুখলই চাই
নাজানো কি কথা পাতে।

দাঁতি কাষৰীয়া অশোকৰ তলে
শেলুৰা পাটীত বহি ;
কত কিনো গায় অফুট ভাতেৰে
আনন্দ সোঁতত ভাহি।

ইদৰে সদায়          আহে আৰু যায়
নামাতে নোবোলে কাকো ;
কেঁচাসোণ যেন          ৰূপটি চিকোন
থৰ লাগি চাই থাকোঁ ।

কিনো আচৰিত          দেখিলোঁ এদিন
পাৰত ৰূপহী নাই !
চাওঁতে চাওঁতে          বহু নিশা হ'ল
ৰূপহী নাহিল হাঁয় !

ভালেখিনি দূৰ          পানীৰ সোঁতত
দেখিলোঁ একুছী চুলি ;
নিমিষতে হাঁয়          জাপ গ'ল দেহি
আশাৰ পদুম কলি !

নাপালে বিলাব          প্ৰেম প্ৰেমিকক
নকলে মনৰ কথা ;
আশা অভিলাষ          জীৱনৰ সুখ
হৃদয়তে ৰ'ল গঁথা ।

অতি আলসুৱা কুমাৰী জীৱন
দুদিনেতে শেষ হ'ল ;
সংসাৰৰ দৃশ্য একো নেদেখিলে
জনম বিফলে গ'ল ।

হ'ায় আজি কিয় ৰই ৰই শুনো
বিজন বনৰ মাজে ;
গহীন সুৰত কিবা এটি যেন
বিৰহ বাজনা বাজে !

পুখুৰীত আজি কাও ভেটটীয়ে
তললই মুখ কৰি ;
নেদেখি কন্যাক, শ্যামল জলত
পৰিল পাহিটি সৰি ।

আজিও তটিনী আগৰ দৰেই
কুলু কুলু গীত গায় ;
পূৰ্ণ আৱেগত ৰাজহ'াহ যুৰি
ঘনে ঘনে জুমি চায় ।

অকলশৰীয়া সন্ধিয়া তৰাটি
নিতউ ওলায় আহি ;
নইৰ পাৰত নেদেখিলে কিন্তু
ৰূপহী কন্যাৰ হাঁহি ।

অশোক ডালত সখিয়তীয়ে
'সখী ঐ' 'সখী ঐ' বুলি ;
বুকু ভাঙি ভাঙি বিনাইছে দেহি
বিষাদৰ সুৰ তুলি !

ৰূপহী বিহনে লুইতৰ দাঁতি
শুদা শুদা যেন লাগে ;
অশোকজুপিলৈ মনত পৰিলে
অতীতৰ স্মৃতি জাগে ।

হাঁয় ! কি বিধিৰ অপূৰ্ব্ব লিখন
অপূৰ্ব্ব মানৱী লীলা ;
ছায়াবাজী প্ৰায় দেখিলো সকলো
বিচিত্ৰ মায়াৰ খেলা !

# সখীলৈ ।

সখি, তুমিয়েনে সেই 'আজলী পোনাটি
থুনুকথানাক মাতে
বহি মোৰ ওচৰতে,
আবৰি বিবৰি মেল কত পাতিছিলা ;
ল'ৰালিৰ কত কথা, ভাঙি কইছিলা ।

সকলোৰে আদকৰা আছিলা এদিন
ঘনেপতি বোঁহ পাতা,
মাতিলে নোকোৱা কথা,
নাছিল মনত কিন্তু ভাৱ বেজাৰৰ ;
ক্ষুদ্র হিয়াখনি যেন সুখৰ আকৰ !

কতদিন লুইতৰ দাঁতিয়ে দাঁতিয়ে
বও মনে ফুৰি আছি,
দুৰ্ব্বা আসত বহি,
প্ৰকৃতিৰ সান্ধ্য-শোভা প্ৰাণ ভৰি চোৱা ;
উলাহ মনেৰে কত সুখ গীত গোৱা !

## সাদৰী

কেতিয়াবা অকলই বননি মাজত
বকুল তলত গই,
সৰা ফুল তুলি লই,
'সখিক পিন্ধাম' বুলি কোমল হাতেৰে ;
গাঁথিছিলা ফুলমালা অতি হেঁপাহেৰে।

ভৰ দুপৰীয়া দুয়ো বহাগী জহত
পাৰত কাপোৰ থই,
হাত ধৰাধৰি কই,
চিল্‌নী সাঁতোৰা দিয়া নইৰ বুকত,
কোৱাচোন প্ৰিয়সখি আছেনে মনত ?

বিতোপন শৰতৰ চন্দ্ৰাৱলী নিশা
চোতালত পাটি পাৰি,
বহুবিধ জাত ধৰি,
কিনো নাম গাইছিলা সাদৰী সোণাই ;
অমৃতৰ ধাৰা যেন ধীৰে বই যায়।

ভাবিছিলোঁ প্ৰণয়ৰ প্ৰতিমা এখনি
নিৰ্ম্মল প্ৰেমত ধাৱা,
স্বাৰ্থহীন ভালপোৱা
আশা-সুখ-শান্তি-ভৰা হৃদয় তোমাৰ
প্ৰিয় জন বিৰহী ৰ প্ৰেম পাৰাবাৰ

সংসাৰৰ আওভাও একো নুবুজিলা
নুবুজিলা বেয়া ভাল,
উমলি কটালা কাল,
নাছিল ভাৱনা চিন্তা সৰল প্ৰাণত ;
স্বাধীন পখীৰ দৰে ফুৰা উলাহত ।
নাজানিলা কপটতা ছলনা চাতুৰি
হাঁহি ভৰা মুখখনি,
প্ৰেমভৰা বুকুখনি,
আপোন সুখতে হোৱা আপুনি বিভোল
সুৰলা এপাহী যেন প্ৰকৃতিৰ ফুল ।
কিন্তু এবে, প্ৰিয়তমে নিচিনো তোমাক
মুখৰ লাৱণ্য কথা,
নাই তাত সৰলতা,
মায়া ছলনাত পৰি কি দশা তোমাৰ ;
কৰিছে স্বাৰ্থৰ বিষে হিয়া অধিকাৰ ;
সোঁৱৰা এবাৰ সখি অতীত জীৱন
শৈশৱৰ ধুলি খেলা,
যৌৱনৰ ৰূপ লীলা,
স্বৰগ পাতাল যেন নালাগে নে বাৰু !
নাহে সি সুখৰ দিন নাভাবিব আৰু ।

---

# গছৰ পাত

আছিলা এদিন তুমি নবীন পল্লৱ,
লাজতেই মূচকচ যোৱা ;
অন্তৰৰ গুপ্ত ভাৱ ৰাখি অন্তৰত
প্ৰকৃতিক সাদৰ জনোৱা।

তৰুণ লাৱণ্য আভা মনোমোহা ৰূপ,
সেউজীয়া দেহৰ গঠন ;
সুবিশাল অভ্ৰভেদী নঙঠা গছৰ
তুমিয়েহে দিব্য আভৰণ।

আছে যদি প্ৰকৃতিৰ শান্তিৰ সুষমা
প্ৰণয়ৰ পবিত্ৰ চানেকি ;
কোমলতা শীতলতা হিয়াৰ মাজত
দিছে বিধি তুলিৰেই আঁকি।

কোমলে কঠিনে কিবা ধৰি অপৰূপ
তাপিতৰ জুৰোৱা নয়ন ;
অপূৰ্ব্ব কৌশল সৃষ্টি দেখি ঈশ্বৰৰ
প্ৰেম ৰসে মুগ্ধ হয় মন ।

আহিলে বসন্ত কাল জকমক্ কৰি
দিয়া মেলি বুকৰ কাঁচলি ;
ৰতাহৰ লগে লগে নাচি ঠেৰে ঠেৰে
মনৰ কথাটি কোৱা খুলি ।

যেতিয়া ডালত পৰি সুৰগী চৰাই
গায় গীত ললিত লয়েৰে ;
সঙ্গীতৰ ছেৰে ছেৰে হালিজালি যেন
বিৰহীক মাতা সাদৰেৰে ।

ঘামকালি দুপৰীয়া ৰ'দৰ তাপত
পথিকৰ আতুৰ পৰাণ ;
কোমল কোলাত যদি লয়হি আশ্ৰয়
অকাতৰে কৰা ছাঁয়া দান ।

যেতিয়া নিমাওমাও বিশাল ধৰণী
তৰাবোৰে হাঁহে আকাশত
হিৰণ্ময় জ্যোতির্ম্ময় খদ্যোৎ মালাই
শোভা কৰে তোমাৰ শিৰত।

নিয়ৰ বা বৰষুণ পৰি যদিস্যাৎ
তিতি যায় কোমল দেহাটি ;
সেয়েই তোমাৰ যেন চকু-লো দুধাৰি
ঈশ্বৰক কৰা তুতি নতি ।

কঠিন বস্তুৰ ভৰ নোৱাৰা সহিব
হ'লা তুমি অতি আলসুৱা ;
দুৰ্জ্জয় বায়ুৰ কোব লাগে যদি গাত
ভাঙি ছিঙি চুৰমাৰ হোৱা।

বুঢ়া হ'লা, নাই সেই দেহৰলাৱণ্য
পকি কৰি পৰিলা মাটিত ;
শ্যামল বনত আজি হালধীয়া সাজে
শুই আছা গছৰ গুৰিত।

·ডাঙৰ দীঘল হ'লা যাৰ আশ্ৰয়ত
　　সিও গছে নামাতে ছুনাই ;
পদানত, পদাহত হ'লা সকলোৰে
　　যেয়ে দেখে সেয়ে লঠিয়াই ।

বিচিত্ৰ কালৰ গতি ! লীলা অদভুত
　　নুবুজিলোঁ বিধিৰ বিধান ?
কালি যাক দেখিছিলোঁ নাচিবাগি ফুৰা
　　আজি তাৰ ধূলিত শয়ন ?

জীৱনৰ অভিনয় পল পল কৰি
　　শেষ হ'ল কালৰ গৰ্ভত ;
নশ্বৰ দেহাৰ একো বাকী নাথাকিল
　　স্মৃতি মাত্ৰ ৰ'ল জগতত ।

———

# ফল্গু ।

হে নদি ! কল্যাণময়ী স্বৰগ-নন্দিনী,
আছিলা এদিন তুমি অমৰাৱতীৰ
দেৱৰ দুৰ্লভ ধন, অমৰ বৈভৱ।
কিয় বা দাৰুণ বিধি আহি আচম্বিতে
দিলে ঘোৰ অভিশাপ সৰল প্ৰাণত
অথবা কঠোৰ ব্ৰতী, পৰম যোগীৰ
কৰিছিলা যোগ ভঙ্গ নৰ্ত্তকীৰ বেশে ।

সিকাৰণে হ'লা নেকি স্বৰ্গভ্ৰষ্টা তুমি ?
উৰ্ব্বশী, মেনকা, ৰম্ভা কিম্বা সুৰবালা
ত্যজি বৈজয়ন্তী-ধাম, অমৰ-আলয় ;
নাগবালা ৰূপে তুমি প্ৰৱেশিলা হায়,
মায়াপুৰী নাগপুৰ পাতাল গৰ্ভত !
নোহোৱা নে দেৱী তুমি প্ৰকৃতি জীয়াৰী
বিলাস বাসনা ভোগ নাই নে তোমাৰ ?

বাহিৰে নেদেখোঁ কিয় সৌন্দৰ্য্য বিকাশ,
মলয়-বতাহে জুৰ নকৰে হৃদয় ;
নধৰে সুৰদি তান বাসন্তী কুলিয়ে
সংসাৰৰ পৰিত্যক্তা হ'লা কি দোষত

অহ, কি ভীষণ দৃশ্য ! দেখিলো তোমাৰ
শুকান বালিৰে ভৰা মৰুভূমি প্ৰায়
কোমল হৃদয় খনি। কিন্তু দেৰি তুমি
বিদাৰি বসুধা বুকু, তিৰ্য্যক গতিৰে
বইছা অদৃশ্য ভাৱে ; পাপী মানৱক
নিৰ্ব্বাণ মুক্তিৰ পথ দিছা দেখুৱাই।

নাজানো গাইছা কিয়, উদাস সঙ্গীত
গভীৰ বিষাদ ভৰা মৰ্ম্মভেদী সুৰে।
অনন্ত বাসনা প্ৰেম বুকে বান্ধি লই
লভিছা অনন্ত গতি অনন্ত উদ্দেশে।

কোনেবা জুৰাব হিয়া, কোনেবা শুনিব
করুণ ৰোদন ধ্বনি অন্তৰ বেদনা
হ'লা চিৰ বিৰহিণী চিৰদিন লই।
কত যুগ যুগান্তৰ অদ্ভুত আখ্যান :—

## সাদৰী

গৌৰৱ কাহিনী কিম্বা কলঙ্কৰ স্মৃতি
গাইছা অব্যক্ত সুৰে। অপূৰ্ব্ব সঙ্গীত
বাজিছে কানত যেন ৰিনিকি ৰিনিকি।
মহত্ত্বৰ সাক্ষী তুমি অনন্ত-যৌৱনা
বিহৰিছা ভূগৰ্ভত। নুবুজো তোমাৰ
জীৱন ৰহস্য-লীলা। কোৱা ভাঙি দেৱী,
থাকিবা ইদৰে তুমি আৰু কতদিন!
হে সুন্দৰী দয়াৱতী, জগত আৰাধ্যা
পৱিত্ৰ সলিলা তুমি ভৱবৈতৰণী!
তোমাৰ অমৃত কোলা শান্তি সুখধাম;
দিবা নে আশ্ৰয় স্থান পাপী অধমক?
সংসাৰ-তপন তাপে জৰ্জ্জৰিত তনু,
নাপালোঁ শান্তিৰ ছাঁয়া মৰু জীৱনত।
মচি দিয়া অভাগাৰ পাপ তাপ ৰাশি
ললাট কলঙ্ক ৰেখা; সংসাৰ নিকাৰ।
শেষ হ'ল ভৱ লীলা। বাঞ্ছা এই মোৰ
শান্তিৰ শীতল পাটী কোমল কোলাত
ক্ষন্তেক বিশ্ৰাম দিয়া পাপী সন্তানক।

———

# বশিষ্ঠাশ্ৰম ।

হে পথিক ! জুৰোৱাহি তাপিত জীৱন,
ক্ষন্তেক বহিলে হিয়া পৰিব শীতল,
ভাগৰুৱা পথিকৰ শান্তিনিকেতন
অময়া প্ৰেমৰ পুৰী গিৰি সন্ধ্যাচল ।

প্ৰকৃতিৰ কাম্যবন ঋষিৰ আশ্ৰম
অমৰ বাঞ্ছিত পুৰী অতি বিতোপন,
চাৰি দিশ নিজঙ্গাল নিমাত নিজম,
গম্ভীৰ প্ৰকৃতি যোগী ধ্যানত মগন ।

:

সন্ধ্যা-ললিতা-কান্তা পৰ্ব্বত জীয়াৰী,
তিনিওটী বাই-ভনী স্বৰ্গীয় ভাৰত,
মহিমাৰ গীত গাই স্বভাৱ সুন্দৰী,
সম্ভাষিছে ব্ৰহ্মপুত্ৰ স্বামীৰ কোলাত ।

## সাদৰী

দুকাষে ফুলৰ শাৰী গছ লতিকাই,
হাঁসিজালি সেৱা কৰে ঋষিৰ পাৱত,
গগন বিহাৰী পখী কানন ভুলাই,
মঙ্গল আৰতি কৰে কুঞ্জ কাননত।

পৱিত্ৰ হোমৰ গন্ধে বহু দূৰলই,
কৰিছিল সুপৱিত্ৰ পুণ্য তপোবন ;
বনৰ চৰাই পহু প্ৰেমে মুগ্ধ হই,
কাণ পাতি শুনিছিল সামবেদ গান।

স্বৰগৰ বিদ্যাধৰী দেৱ দিব্যাঙ্গনা,
বজায় অমৰ বাদ্য, ছেও ধৰি ধৰি—
দীপক পঞ্চকসুৰে গীত আৰাধনা'
গাইছিল মিলি যত ঋষিৰ জীয়াৰী।

ইন্দ্ৰৰ অমৰাৱতী প্ৰমোদকানন,
মৰতভূমিত চোৱা কিবা শোভা ধৰে ;
বনদেৱী সৱে পিন্ধি পুষ্প আভৰণ।
প্ৰকৃতি ফুলনি মাজে আনন্দে বিহৰে।

ঋতুৰাজ বসন্তৰ প্ৰিয় সম্ভাষণে,
সৌন্দৰ্য্য ওপচি পৰে পুষ্প কাননৰ ;
ফুলৰ সুগন্ধ আনি সান্ধ্য-সমীৰণে,
বিলাইছে শান্তি সুধা স্বৰ্গীয় প্ৰেমৰ।

মুৰগী কুলিয়ে মাতে অপূৰ্ব্ব তানেৰে,
জিলীয়ে বজায় বীণা মিলন সুৰত,
নীৰৱ প্ৰকৃতি ভেদি ললিত ঝঙ্কাৰে,
উঠে তাৰ প্ৰতিধ্বনি কাম্য কাননত।

শৰতৰ ক্ষীণ জ্যোতি পুৱতী জোনৰ,
বিৰিঙে যেতিয়া আহি ফুলৰ থোপাত,
কি যে মনমোহা দৃশ্য কুঞ্জ কাননৰ,
পৰাণ বিভোল হয় পৱিত্ৰ ভাৰত!

বহল শ্যামল ক্ষেত্ৰ শিলনিৰে গঁথা,
লেখা আছে বশিষ্ঠৰ হৃদয় দুৰ্গত—
অতীত গৌৰৱ স্মৃতি আৰু পুণ্য কথা,
বিশ্বলীলা অভিনয় কীৰ্ত্তি শত শত।

কত যুগ মাৰ গ'ল কালৰ সোঁতত,
আজিও বশিষ্ঠাশ্রম আছে একেভাৱে,
আৰ্য্যৰ গৌৰৱ ঘোষি মৰ্ত্ত্য ভুৱনত,
বিজেতাৰ হেন্দোলনি সহিছে নীৰৱে।

## ৺মাতৃদেৱী।

তুমি য'ত আছা সি কি
সত্যৰ আলয় ?
নাই য'ত বিভীষিকা,
মৰণৰ ভয় !

তুমি য'ত আছা সি কি,
সদানন্দ ধাম ?
পায় য'ত শোকে ভৰা
প্ৰাণত আৰাম !

তুমি য'ত আছা সি কি,
দেৱতাৰ দেশ ?
জৰা, মৃত্যু, শোক, অশ্ৰু,
নাই দুখ লেশ !

তুমি য'ত আছা সি কি,
অমৃতৰ পুৰ ?
হবও নালাগে য'ত
ভোকত আতুৰ !

তুমি য'ত আছা সি কি,
আনন্দ নগৰ ?
সমূলিও নাই- য'ত
বেজাৰ ভাগৰ ।

তুমি য'ত আছা সি কি,
অমৰ জগত ?
মৰ কি অমৰ নাম
লয় সি থানত !

তুমি য'ত আছা সি কি,
সংসাৰৰ সাৰ ?
পাপী, তাপী সন্তাপীৰ
নাই হাঁহাকাৰ

তুমি যত আছা সি কি,
আনন্দ ভৱন ?

## সাদৰী

পায় য'ত সাধু সৰে
পৱিত্ৰ আসন !

তুমি য'ত আছা সি কি
আনন্দৰ মঠ ?
সিদ্ধ মুনি সৱে য'ত
কৰে বেদপাঠ !

তুমি য'ত আছা সি কি,
পুণ্য তপোবন ?
ভক্তগণে কৰে য'ত
দেৱ আৰাধন !

তুমি য'ত আছা সি কি,
মঙ্গল নিলয় ?
হিৰণ কিৰণে সদা
কৰে জ্যোতির্ম্ময় !

তুমি য'ত আছা সি কি,
পুষ্প উপবন ?
সুৰভি কুসুম য'ত
ফুলে অগণন !

## সাদৰী

তুমি য'ত আছা সি কি,
নন্দন কানন ?
দেৱকন্যাসৱে তাত
কৰে বিচৰণ !

তুমি য'ত আছা সি কি,
শান্তি-নিকেতন ?
ৰিব্ ৰিব্ কৰি য'ত
বয় সমীৰণ।

তুমি য'ত আছা সি কি,
অতি ৰম্যস্থান ?
হিৰণ্ময় পখীবোৰে
ধৰে সুখ তান !

তুমি য'ত আছা সি কি,
হীৰক মন্দিৰ ?
আছে য'ত সৰলতা
প্ৰতিমা গম্ভীৰ !

তুমি য'ত আছা সি কি,
প্ৰেমকুঞ্জ ছাঁয়া ?

আনন্দে বিহৰে য'ত
মূৰ্ত্তিমতি 'দয়া'

তুমি য'ত আছা সি কি,
কুহকৰ ঠাই ?
যেয়ে যায় সি দেশলৈ
নাহে পুনৰায়।

বুজিলোঁ। বুজিলোঁ। আই
আছা য'ত তুমি ;
নহয় সি অন্য দেশ
দেৱ লীলাভূমি !

ময়ো যাওঁ সি দেশলৈ
নিয়া দয়া কৰি ;
দুদিনীয়া লীলাখেলা
যাওঁ পৰিহৰি !

অকলশৰীয়া কৰি
গুচি গ'লা আই ;
চোৱা বাৰু অধমৰ
কি হ'ল বিলাই !

## সাদৰী

সংসাৰৰ তীব্ৰ বিষে
জুৰিলে শৰীৰ ;
বেদনা যাতনা শোকে
কৰিলে অস্থিৰ !
প্ৰণমো জননী দেৱী,
যুগল চৰণ ;
খোলা খোলা হিৰণ্ময়
স্বৰ্গীয় তোৰণ !
নিচিনো, নাজানো বাট
দিনকণা মই,
দিয়া দেৰি, অধমক
বাট দেখুৱাই
আহা আই, আহঁা মোৰ
স্নেহৰ নিজৰা ;
মাউৰা পুত্ৰক আহি
আঁকোৱালি ধৰা !
অভাগাক স্থান দিয়া
কোমল কোলাত ;
লভিম অনন্ত সুখ
অনন্ত শয্যাত !

---

# শ্ৰীশঙ্কৰদেৱ।

নবৰ আদৰ্শ কবি কন্দুৱাই ধৰা,
স্বৰ্গী আসনত শোভি আছা ধ্ৰুৱতৰা
পুণ্যভূমি অসমত পূৰ্ণ অৱতাৰ,
ধৰিছিলা সৌম্য মুৰ্ত্তি আৰ্য্য বংশধৰ ;
প্ৰচাৰিলা ভাগৱতী মত সাম্যবাদী,
বাগৰিল প্ৰেমস্ৰোত শত হিয়া ভেদি ;
ভূতলত আবিৰ্ভাৱ নিষ্কাম ধৰম,
বাজিছিল জয়ঢোল বিয়পি অসম ;
জগত বিমুগ্ধ কৰি মোহিনী বাণীত,
শত শত মানৱক পিয়ালা অমৃত ;
নীৰস প্ৰাণত লভি নৱ প্ৰেমৰস,
পৱিত্ৰ জ্ঞানৰ ভাতি হ'ল পৰকাশ।
মানস ৰথত চৰি স্থৱলা স্থৱলা,
গাঁথিছিলা দীপ্তিময়ী কৱিতাৰ মালা ;
অগৰু চন্দন সানি পুষ্প কাননত,
পিন্ধালা লাহৰি মালা বাণীৰ কণ্ঠত,

বজালে ভাৰতী আই সঞ্জীৱনী বীণা,
নিৰ্জ্জীৱ জনমভূমি লভিলে চেতনা,
(দেৱ!) শুগুনো বীণাৰ এবে সুৰ তান লয়
যি সুৰত পমিছিল কঠিন হৃদয়,
ললিত ঝঙ্কাৰ হায় ক'ত লীন গ'ল,
পানীৰ ভুমুক যেন পানীতে লুকাল !
সাহিত্য বনত আৰু কোনেনো এতিয়া,
ৰচিব কৱিতাকুঞ্জ বাছকবনীয়া !
জালিকটা যি কেডালি আছে পুষ্পহাৰ,
সেয়ে হে মাথোন ভাষা কৰিছে পোহৰ।
আহা দেৱ, ধৰ্ম্মবীৰ পুৰুষ প্ৰধান,
সাধিলা যতনে বহু বিশ্বৰ কল্যাণ,
অনাথ সন্তানে তবু চৰণ ধিয়াই,
আশা-নদী পাৰে বহি নীৰৱে বিনায়।
এবাৰ উলটি চোৱা হেৰা পুণ্যভাগী,
মাতিছো কাতৰে, তযু প্ৰেম অনুৰাগী।
যি দীপ্তিৰ প্ৰভাৱত হাহে মাতৃ ভাষা,
প্ৰাণত সি পুণ্যজ্যোতি কণিকা বৰষা।

কিনো দিম প্ৰতিদান প্ৰীতি উপহাৰ,
নাই একো আভৰণ পূজাৰ সম্ভাৰ।
নৈবেদ্যবিহীন এই অপূৰ্ণ শৰাই,
অৰপিলোঁ পদ প্ৰান্তে দীন-দুখীয়াই !
হিয়া উবুৰাই দিলোঁ ভকতি আঁজলি,
আশীস্ বচনে দিয়া চেনেহ নিৰ্ম্মালি।

---

## বৰ্ষা ।

মৃদুল, মধুৰ, বাঁহিটো বজাই
বিতৰী অমৃত ধাৰা,
মলয় হিল্লোল তুলি তালে তালে
পৰাণ শীতল কৰা।

সৰিৎ সাগৰ, মৰুভূ, প্ৰান্তৰ
কঁপাই বিজন বন,
শ্যামল সুন্দৰ গম্ভীৰ মূৰতি
কৰা বিশ্ব বিমোহন।

মলীন ধৰাৰ ধূলি শৰীৰৰ
দিয়াহি সাদৰে ধুই ;
হৰিৎ বৰ্ণৰ শস্যৰ ভঁৰাল
বুকুত ভৰাই লই ।

ধৰণী বুকত শ্যামল তৃণেৰে
দিয়াহি নতুন শোভা ;
জীৰ্ণ তৰু লতা, নৱীন পল্লৱে
কৰা আহি মনোলোভা

মেঘৰ কোলাত সজাই সুবেশ
বিজুলীৰ চিকৃমিক্ ;
গভীৰ নিনাদে কৰা নিনাদিত
নীলাম্বৰা প্ৰকৃতিক ।

প্ৰখৰ তাপত দগ্ধ প্ৰকৃতিক
বৰষা অমৃত-বিন্দু ;
তৰঙ্গে তৰঙ্গে কৰা তৰঙ্গিত
সুবিশাল নীলসিন্ধু ।

স্নিগ্ধ-জলধাৰা, ঢালি ধাৰাসাৰে
জুৰোৱা তটিনী প্ৰাণ ;
তৃষ্ণাতুৰ প্ৰাণ, প্ৰিয় চাতকক
কৰা প্ৰেমামৃত দান ।

শান্তিৰ নিজৰা, স্নেহ বাৰিধাৰা
জুৰাই দগধ হিয়া ;
প্ৰিয়া-বিৰহত বিৰহী যক্ষক
প্ৰেমৰ বাতৰি দিয়া ।

গায় কোটী কণ্ঠে, বিবিধ বিহঙ্গে
তোমাৰ মহিমা গীত ;
বিতৰে সৌৰভ, ফুল্ল কুসুমে
প্ৰকৃতিৰ ফুলনিত ।

অপেক্ষি তোমাক ময়ূৰ ময়ূৰী
আছে বিষাদিত মনে ;
হ্ৰদৰ তীৰত আৱেগ সুৰত
দাহুৰী আৱাৰে ঘনে ।

ফুলৰ ভৰত তোমাকেহে যেন
আহ্বানিছে তৰুৰাজি ;
নিৰ্ম্মল ধৰণী কৰা মধুময়
দিব্য আভৰণে সাজি ।

মৰু প্ৰান্তৰৰ শ্ৰান্ত পথিকৰ
তুমিয়েহে পান্থ তৰু
কৰা সঞ্জীৱিত তৃষিত জনৰ
দগধ হৃদয় মৰু ।

——

## নইৰ বুকত ।

কত যুগ-যুগান্তৰ স্মৃতি বুকে লই
কুলু কুলু বইছে তটিনী ;
অস্ফুট ধ্বনিৰে আহা কিবা সুমধুৰ
গায় এটী জীৱন-ৰাগিণী

ৰক্তজৱা ৰূপ ধৰি সান্ধ্য দিনমণি
লীন যায় সোণালী সোঁতত ;
সমাধি-সঙ্গীত গায় বিহঙ্গিনীকুল
তটিনীৰ কৰুণ সুৰত।

সংসাৰৰ পৰিত্যক্ত কত জনে হায়
ভুঞ্জি বহু যাতনা নিকাৰ ;
অৱগাহি তটিনীৰ পূত সলিলত
পখালিছে হিয়াৰ বেজাৰ।

যেতিয়া জীৱন-সন্ধ্যা হব আহি মোৰ
পাম গই মৰণৰ কাষ ;
উটুৱাই দিয়া যেন সি প্রেম-জলত
সখা মোৰ এয়ে অভিলাষ।

সাৰটাসাৰটি কৰি যাব ৰই ৰই
ভেলখানি ঢউৰ লগত ;
পাব পাৰে কেতিয়াবা মিলন উদ্দেশ
উটি গই অনন্ত সোঁতত।

প্ৰাণে প্ৰাণে ভালপাওঁ প্ৰকৃতিবালাক
ভালপাওঁ সক ঢউকিটি ;
প্ৰাণত সান্ত্বনা মোক দিছে বহু দিন
প্ৰেমময়ী গাই প্ৰেম-গীতি।

দুইবো দুখনি হিয়া একেখনি হই
বন্ধা আছে প্ৰণয়-ডোলত ;
মহাপ্ৰস্থানতো দুয়ো দুয়োৰে হে সঙ্গী
কাকো কেও নেৰো জীৱনত।

---

## হেঁপাহ।

ফুলি আছে মোৰ মানস-হ্ৰদত
সোণালি পদুম পাহী ;
ইচ্ছা হয়, যেন সমীৰণ হই,
গোন্ধৰ সঁফুৰা দিওঁ মোকোলাই,
ভোমোৰাৰ দৰে উৰি উৰি গই,
ফুৰোঁ পৰিমল চুহি।

মালতী তগৰে জাতিকাৰ কৰে
পুষ্প উপবনখনি,
ইচ্ছা হয়, হওঁ পুৰ্ণতি অৰুণ,
জেউতি চৰাওঁ নিতৌ নতুন,
দিওঁ নিৰমল হিয়াত চিকোণ,
প্ৰেম-নিয়ৰৰ পানী।

বিহৰিছে আহা, কুঞ্জ কাননত,
প্ৰেমিকা বসন্ত ৰাণী ;
ইচ্ছা হয়, যেন মন-পখী মোৰ
কৰে গুণগান নৱ ৰসন্তৰ,
দিওঁ দুগালত হেঙ্গুলী বোলৰ,
কুঙ্কুম চন্দন সানি।

ৰূপহ জোনৰ কোমল হাঁহিটি
কিবা বিতোপন ঠাম ;
ইচ্ছা হয়, যেন নীলসিন্ধু হওঁ,
প্ৰিয়া প্ৰতিকৃতি একেৰাহে চাওঁ,
প্ৰাণ-চকোৰক অমৃত পিয়াওঁ,
লভোঁ সুখ অনুপম।

# নিৰাশ।

বহু দিন অন্তে হৃদয় ফলিত
জাগিছে অতীত স্মৃতি ;
তৰঙ্গে তৰঙ্গে চিন্তাতৰঙ্গিনী
গাইছে বিৰহ-গীতি।

জনালো মিনতি চোৱাঁহি জগত
হৃদয়-দুৱাৰ মেলি—
নির্ব্বাণ প্রদীপ আকৌ জ্বালিলোঁ।
সান্ত্বনা লভিম বুলি।

.
.
.

দীপ্তিময়ী কান্তি ঊষা প্রতিমাৰ
অমল মাধুৰী সনা ;
নীল নভ ভেদি সোণালি কিৰণে
ঢালিছে চেনেহ কণা !

প্ৰীতিৰ লহৰী                শান্তিৰ আঁজলি
        বিশ্বক কৰিছে দান ;
লভিল চেতনা                নীৰৱ প্ৰকৃতি
        ধৰিছে সুৰদি তান ।

লাহে ধীৰে বলে                কটকী মলয়
        প্ৰেম মধু অভিলাষী ;
বোকোচাত বান্ধি                আনিছে ফুলৰ
        স্বৰ্গীয় সৌৰভ ৰাশি ।

ফুলৰ থুপিত                কালিন্দী ভোমোৰা
        কেনে আয়মেৰে বহি ;
গুণ্ গুণ্ কৰি                একেটা সুৰত
        বজায় মৃদুল বাঁহী ।

নাচে উলাহত                বিহগ বিহ
        পান কৰি প্ৰেমামৃত ;
গায় কুঞ্জবনে                ঠেও ধৰি ধৰি
        নিৰমল সান্ধ্য-গীত ।

কিন্তু ই কি হাঁয় উষা প্ৰতিমাৰ
হাঁহিভৰা মুখখনি ;
চাওঁতে চাওঁতে আন্ধাৰে গ্ৰাসিলে
নেদেখোঁ লুকাল কেনি ।

নীল গগনৰ হেঙ্গুলী প্ৰতিমা
আহা কিবা মনোলোভা ;
কিয় বা নিঠুৰ ডাৱৰে আবৰি
হৰিলে কনক প্ৰভা ।

বিৰহৰ পাচে মধুৰ মিলন
বন্ধা ৰীতি সংসাৰৰ ;
কিয় তেন্তে বাক আশা নুপূৰিল
ক্ষুদ্ৰ এই জীৱনৰ !

কলে বা কি হব কোনে পাতিয়াব
নকওঁ সৰহ কথা ;
অতৃপ্ত বাসনা ৰ'ল হৃদয়ত
নাপালোঁ মৰম-বেথা ।

# বিষাদ।

পুষ্প-কাননত আছিল এজুপি
ধুনীয়া শেৱালী ফুল,
ধীৰ প্ৰৱাহত হইছিল ধৰা
গোন্ধতে আমোলমোল।

আকাশী নৰ্ত্তকী খঞ্জনী অপ্সৰা
বিবিত্ৰ কাচোনে কাচি;
বিৰহ বিধুৰা প্ৰকৃতিবালাক
দিছিল অমিয়া যাচি।

নিষ্ঠুৰ নিদাঘ আহিল যিদিনা
সকলো পৰিল জঁয়;
সৰি গ'ল ফুল উৰি গ'ল পখী,
জগত বিষাদময়।

আকৌ এদিন আহিব শৰৎ
হাঁহিব শেৱালি পাহি ;
ঠেও ধৰি ধৰি কৰিব নৰ্ত্তন
খঞ্জনী পখীটি আহি ।

হব কুসুমিত কুসুমাভৰণা
কুসুম কাননখনি ;
ধীৰ সমীৰণে কুসুমে কুসুমে
দিব পৰিমল সানি ।

কিন্তু মোৰ সেই মানস-কুসুম
গইছে যিদিনা সৰি ;
সৌন্দৰ্য্য পৰাগ শূন্য হিয়াখনি
সুঠে আৰু ঠন্ ধৰি ।

---

# বনিজৰ কথা।

কত আশা কৰি কতনা যতনে
গোটাই আনিলো ধন
বণিজ বেহাই সুখে সন্তোষেৰে
চলাম সংসাৰখন।

নিখুঁত গঢ়ৰ জাকত জিলিকা
ৰূপত জেউতি চৰা
চৈ চাপৰ দিয়া ডিঙাখনি ললোঁ
বিশ্বকৰমাৰ পৰা।

কুন্দিয়ে কুন্দিয়ে ওপচাই থলোঁ।
বেহেকৰা বস্তু যত
ঘৰে সমন্বিতে উঠিলোঁ। ডিঙাত
মনত আনন্দ কত।

ভাল দিন চাই হাবিলাষ কৰি
ডিঙাখনি মেলি দিলোঁ।
ভৱিষ্যৎ সুখ বিলাস ভোগৰ
কত কথা আলচিলোঁ।।

কিছুদূৰ বাট গৈয়েই দেখিলোঁ।
বেলিয়েও দিলে ভাটি
চাওঁতে চাওঁতে পশ্চিম আকাশ
ডাৱৰে পেলালে ছাটি ।
পচোৱা বতাহ বলিল বেগাই
মাজে মাজে ঢেৰেকনি
ঢউৰ কোবতে ডিঙাখানি মোৰ
খালে তিনি টেলেঙনি ।
সুকাঠি কাঠৰ ভৰা ডিঙাখনি
বতাহত ঘূৰি ঘূৰি
চাকনৈয়াত গৈ বস্তু-বেহানিবে
সমূলঞ্চে গ'ল বুৰি ।
বালিৰ চটত খুন্দা লাগি হায়।
ডিঙাখনি গ'ল ভাঙি
লৰাব চৰাব নোৱাৰি সমুলি
হ'ল ভালুকৰ সাঙি ।
কাঠো নাইকিয়া হাতীয়াৰো নাই
কৰ্শাল কিহেৰে মাৰোঁ।
চাওঁতে চাওঁতে খহি জহি গল
কোন সাহে দাঙো পাৰোঁ।

## সাদৰী

আছিছিল যিবা সঙ্গী নাওবৈচা
অকামিলা ছটা ভাই
ভয়তে কেউটা ঢাপৰৰ পৰা
পৰিছে আছাৰ খাই।

কোবাল সোঁতত ঘুৰি বঠা পাতো
গ'ল যে কেনিবা উটি
অকলে অকলে কি কৰোঁ উপায়
দিহা বুধি হল চুটি।

ভেলেউ কাঠৰ নাওখনি যেন
পানীৰ তলতে পৰি
গোৰ খাই খাই হলগৈ শেহত
জগা কাঠ এডুখৰি।

কিনো কুক্ষণত পশিছিলোঁ মই
মূলনাঠী নগৰত
লাভৰ আশাত মূলো হেৰুৱালোঁ
গাৰ হেৰুৱালোঁ তত।

পৰ্ব্বত সমান ঢউৰ কোবত
চূৰ্ণ্ণ হেৰায় গাৰ
দুখ-ভাগৰত লালকাল দিলোঁ
দেখোঁ ঘোৰ অন্ধকাৰ।

পাৰাপাৰ একো মনিব নোৱাৰোঁ
পানীয়ে দোকোল টঁকা
ঠাইনি নাপাওঁ ক'ত থিয় হওঁ
তলে পলস্থৰা বোকা।
খাঁহৰ লোভত পিটনিত পৰা
সুগৰীৰ যেনে দশা
হলোঁ মেয়ো জেনে নগুৰ নাগতি
নাই জীৱনৰ আশা।
ইকূল সিকূল গ'ল দুয়োকূল
মাজ সাগৰত পৰি।
জোলোকা জোলোকে পানী খাই খাই
মৰো বক্ বক্ কৰি।
সাঁতুৰি যাবৰো শক্তি নাইকিয়া
হাত ভৰি হ'ল কোঙা
পুনীৰ নিচিনা ভেল ওপঙাদি
থাকিলো উকলি পোঙা।
বিশ্বকৰমা সূতাৰৰ ডিঙা
আনিছিলো কালিয়নে
বেহাৰ পাচত বানচে সহিতে
শোধাই দিবৰ মনে।

সঞ্চিত ধনৰ থুনুপাকটিও
হৈছে তেনেই শুদা
গৰাকীৰ তালৈ যাও কোন মুখে
তাৰো যে মৰিছে মুদা।

মহাজনবোৰে নঙলা মুখত
শুনাবহি ছুটা মাত
লগপালে কিন্তু শুদাই নেৰিব
লাথিত ভাঙিব দাঁত।

সুখৰে সপোন দেখিলোঁ কতনা
সুখৰে বেহালোঁ হাট
মায়া ছলনাৰ দোমোজাত পৰি
দুখ ভুঞ্জো যাতনাত।

সাদৰী মাতেৰে এবাৰ বুজনি
কোনে দিব উপযাচি
হিয়া ধুনি বোৱা চকুলো দুধাৰি
কোনে দিব আহি মচি।

হলো সকলোৰে নেওচনি খোৱা
হৈছোঁ দুৱাৰডলি
দুখ যাতনাৰ ভৰি গছকাত
প্ৰাণ মোৰ যায় জ্বলি।

চিন্তা ভাৱনাৰ নানা আহুকালে
পীড়িলে শৰীৰ মোৰ
হল আধা-পোৰা কাঠখৰি যেন
কুমলীয়া অঙ্গবোৰ।
কি মহাপাপত এনুৱা বিলাই
কৰিলে বিধিয়ে মোক
জীয়ন্ততে কত ভুঞ্জিছোঁ জীয়াতু
শোকৰ উপৰি শোক।
দাঙিব নোৱাৰা আৰু বা কি আছে
দুখৰ গধুৰ ভাৰ
চিন্তাৰ জ্বালাত হাৰাশাস্তি হলো
চিন্তাৰ নাপালোঁ পাৰ।
মোৰেই নিচিনা দুৰ্ভাগীয়া জীৱ
আছেনে কোনোবা আৰু
খাওঁতে লওঁতে উঠোঁতে বহোঁতে
হইহে কিলৰ গাৰু।
আছেনে কোনোবা কাঁতৰি শালত
চেপি খুন্দি গুৰি হোৱা
বাটুলগুটীয়া শিল গুটি যেন
সকলোৰে খুন্দা খোৱা।

নাজানো কিমান মোৰেই নিচিনা
আছে আৰু দুখভাগী
দুখতে গইছে কাৰো চিৰদিন
কোনোৱে খাইছে মাগি ।

কোনোৱে আকৌ দিনৰ দিনটো
খুজিও নাপায় ভাত
দুৱাৰে দুৱাৰে খাইছে সবাৰে
কেটেৰা জেঙেৰা মাত ।

ঘিণলগা দেখি মিতিৰ কুটুমে
দূৰতে বিদূৰ কৰে
হমথেকতে ভেটাভেটি হলে
নিচিনা ভাওহে জোৰে ।

তোমাৰেই প্ৰভু বিনন্দীয়া সৃষ্টি
তোমাৰেই লীলাভূমি
আলাই আথানি কৰি নিঃকিনক
কি সুখ লভিছা তুমি ?

তুমিয়ে নে প্ৰভু দুখীয়াৰ ধন
প্ৰেম চিন্তামণি হৰি
তোমা হেন নিধি থাকোঁতে লগত
আন্ধাৰত ফুৰোঁ ঘূৰি।

উটি বুৰি ফুৰা      পোকটিয়ে সৌৰা
তোমাৰে কৰুণা পাই
বিৰিণাজুপিৰ      পাতৰ আগত
লইছে একেৰি ঠাই।
ক্ষুদ্ৰ পকৰাটি      যিকণি তোমাৰ
স্নেহৰ কণিকা পালে
মই হতভাগ্যে      সেই স্নেহকণা
নাপাম নে কোনো কালে ?
নকৰা বঞ্চিত      দয়ামৰ হৰি
তোমাৰ স্নেহৰ পৰা
বিষয় জঞ্জাল      জলধিৰ হস্তে
শীঘ্ৰে প্ৰভু মুক্ত কৰা ॥

# বিৰহীৰ উক্তি।

পৰি ৰলোঁ। মায়াময় সংসাৰী জালত
বাণবিদ্ধ বিহঙ্গৰ প্ৰায় ;
কোমল ডেউকা ছুটি হ'ল নিশকতি
যাতনাত প্ৰাণ ফুটি যায়।

হুতাশী প্ৰাণত উঠে চিন্তা-চিতাধূম
অবিৰাম হু হু শব্দেৰে ;
জুৰাবৰ ঠাই নাই শ্মশানত
দগ্ধ প্ৰাণ শীতল নপৰে।

বুজনি দিওঁতা নাই হলোঁ। ভাগ্যহীন
কোনে ছুখ পতিয়াৰ মোৰ ;
ভাবি তাবি হলোঁ। মই ভাৱত বিমোৰ
ভাৱনাৰ নপৰিল ওৰ।

সংসাৰৰ চেপা খুন্দা আপদ অশান্তি
জীৱনত সহিলোঁ বিস্তৰ ;
তথাপিতো নেদেখিলোঁ সুখৰ কণিকা
মিছাতেই ব'লো দুখ ভাৰ !

প্ৰেম অভিলাষী মই প্ৰেমৰ বলিয়া
প্ৰেমেই হে লক্ষ্য জীৱনৰ ;
হাবাথুৰি খাই কত বিচাৰি ফুৰিলোঁ
গিৰি বন বিজন প্ৰান্তৰ ।

ভালেখিনি নিলগত দেখিলোঁ এনেতে
প্ৰেমৰ এখনি জুৰ নই ;
অন্তহীন বিঘিনিৰ অলঙ্ঘ্য প্ৰাচীৰ
দুয়ো পাৰে আছে থিয় হই ।

বিৰহ নিৰাশা ভয় শত্ৰু দল আহি
লাহে লাহে চাপিল ওচৰ ;
জীৱন পথত হ'ল কণ্টক স্বৰূপ
নোৱাৰিলোঁ পশিব ভিতৰ ।

দুখৰ আন্ধাৰ নিশা ক্রমে দেখা দিলে,
নেদেখোঁ যে কাকো ওচৰত ;
লগৰীয়া বন্ধুবোৰ দিহা দিহি গ'ল
অকলই এৰি নিজানত

নোৱাৰিলোঁ পাৰ হ'ব নিজান পথাৰ
দুখ নিশা কেতিয়া পুৱাব ;
তপত চকুৰ লোৱে তিয়ালে শৰীৰ
কোনে মোক বাট দেখুৱাব ।

জুই ফিৰিঙতি দৰে উফৰি ফুৰিছে
সোণোৱালি মৰীচিকা বোৰ ,
এঙাৰ বৰণ হ'ল সুকোমল দেহা
নুপূৰিল আশা জীৱনৰ ।

স্ ! মিছা হল, নোৱাৰিলোঁ ভাগৰিলোঁ
নুবুজিলোঁ মায়াৰ ছলনা ;
দুখেই হে সাৰ হ'ল সুখ নলভিলোঁ
দিলে বিধি অনন্ত যাতনা ।

তৃষিত হৰিণা মই অনন্ত মৰুত
মৰীচিকা দেখি ভোল গলোঁ,
নোৱাৰি পূৰাব আশা কালৰ হাতত
অকালতে প্ৰাণ হেৰুৱালোঁ।

---

## সন্তাপ।

জীৱনৰ মায়া ফেৰি,
নোৱাৰোঁ থাকিব এৰি,
বিচাৰিলোঁ সংসাৰত
আছে কোন মিত্ৰ,

নাপালো মায়াৰ সন্ধি,
কত জনে মুখা পিন্ধি,
দেখুৱালে অভাগাক
বিভীষিকা চিত্ৰ।

যাৰে কাষলই যাওঁ,
তাৰে গৰিহণা খাওঁ,
দুখিতক সকলোৱে
কৰে পৰিহাস ;

সমনীয়া বন্ধুসৱে,
চায়হি বিদ্ৰুপ ভাৱে,
হতাশ প্ৰাণত কাৰো
নাপালোঁ আশ্বাস ।

শোক অশ্ৰু হাঁহাকাৰ,
সহি আছোঁ বাৰম্বাৰ ;
কলঙ্কৰ বোজা কত
কান্ধে কঢ়িয়ালোঁ ;

বুজিলোঁ মনৰ ভ্ৰান্তি,
হেৰুৱালোঁ চিৰশান্তি,
প্ৰকৃত প্ৰণয় সুখ
ক'তো নলভিলোঁ ।

ডলাৰ বগৰী প্ৰায়,
ক'তো থানথিতি নাই,
কৰিলে বিধিয়ে মোক
জনম দুখীয়া ;

মিছাতে আছিলোঁ গ'লোঁ,
বহু দুখ-কষ্ট পালোঁ,
ক্রমে ক্রমে হ'ল মোৰ
শৰীৰ ঘুণীয়া।

মায়াৰ কুণ্ডত পৰি,
হলাহল পান কৰি,
গতি শক্তি হীন হলোঁ
কি কৰোঁ উপায় ;

সমূলঞ্চে তল গলোঁ
তত্‌মত্‌ হেৰুৱালোঁ,
যাতনা বিষত মোৰ
প্ৰাণ উৰি যায়।

বাসনা কামনা ৰোগ,
উকলিল কৰ্ম্মভোগ,
পাৰ্থিৱ সম্পদ সুখ
আত্ম-অভিমান ;

এৰিলোঁ মানৱী সজা,
ছুদিনীয়া ভঙা পঁজা,
লাহে লাহে জীৱলীলা
হ'ল অৱসান ।

---

## মৰণ ।

আছিলোঁ নিচেই সৰু একোকে নজনা
মাতৃৰ কোলাত ৰঙ্গে নাচি ফুৰিছিলোঁ
মায়াময় সংসাৰৰ বিচিত্ৰ ভাওনা,
হহা-কন্দা দৃশ্য কিনো একো নেদেখিলোঁ

তেতিয়াও তুমি দেৱ ! অলক্ষিতে আহি,
ভাগ্যলিপি দেখি মোৰ উঠিছিলা হাঁহি ।
পাহৰিলোঁ অতীতৰ সি সৱ কাহিনী,
নাপাওঁ সি সুখ আৰু ইহ জনমত ।

দেখিলোঁ সংসাৰ চিত্ৰ, প্ৰাণৰ সঙ্গিনী—
হ'ল মোৰ ছুখে ছুখী সংসাৰ বনত ।
তেতিয়াও তুমি মোৰ দেখি স্নেহ-ৰূপ,
প্ৰণয়ৰ পৰিণাম বুজিলা স্বৰূপ ।

ভৰি দিলোঁ জীৱনৰ তৃতীয় খাপত,
প্ৰিয় পৰিজন লই পাতিলোঁ সংসাৰ ;
কত যে সহিলোঁ দুখ জীৱন পথত ;
নেদেখি উপায় একো কৰোঁ হাঁহাকাৰ ।
তেতিয়াও তুমি মোৰ বহি শিতানত,
জীৱনৰ শেষ লীলা লেখিলা ভাগ্যত ।

ভাঙিল আশ্ৰয় তৰু উৰি গ'ল বাসা,
সম্পদৰ লগৰীয়া, আত্মীয় স্বজনে ;
উভতি নাচায় মোক দেখি দুৰদশা,
অকলই কান্দি কান্দি ফুৰোঁ বনে বনে ।
তেতিয়াও তোমাকেহে সুঁৱৰি সুঁৱৰি,
বিচাৰোঁ চৰম লক্ষ্য ছিগি মায়া-জৰি ।

আহাঁ মোৰ চিৰ সঙ্গী আহাঁ প্ৰিয় সখা
তোমাৰ মুখকে চাই দুখ পাহৰিম,
দিব্য ৰূপ ধৰি তুমি দিবা মোক দেখা,
যিদিনা চিতাক মই সাৱটি ধৰিম ।
সিদিনাহে দুৰ হ'ব সংসাৰ যাতনা,
সিদিনাহে প্ৰাণে মোৰ লভিব সান্ত্বনা ।

———

# পৰিশিষ্ট

## (ক)

( শ্ৰীযুক্ত হৰীৰাম ডেকা এম্‌. এ ; বি, এল দ্বাৰা ৰচিত )

"সাদৰী' ইং ১৯১০ চনত ৰচিত হয়। ইয়াৰ ভিতৰতে অসমৰ ৰক্ষণশীল স্বভাৱ স্বত্বেও সাহিত্য, সমাজ আদি বিষয়ত সাধাৰণতে অলপ উন্নতি বা অৱনতি আশা কৰা যায়। সেইবোৰৰ পৰিমান থিৰ কৰা আজিৰ উদ্দেশ্য নহয়, কিন্তু এই কেই বছৰে "সাদৰী সুমলীঘাতে" থাকিলে নে বয়সৰ লগে লগে অলপ আদহীয়া হল, তাকেহে ঠাই বুজি অলোচনা কৰিব লাগিব। "সাদৰী" প্ৰণেতা শ্ৰীযুক্ত ৰঘুনাথ চৌধাৰী অসমৰ সাহিত্য-ক্ষেত্ৰত 'জোনাকী' কাকতৰ দিনৰ পৰাই পৰিচিত। আন আন দেশ আৰু সাহিত্যৰ তুলনাত অসমৰ সাহিত্য গৌৰৱ নিচেই সুলভ আৰু সস্তা; কাৰণ যাহিলী আলোচনীত গোটাদিয়েক প্ৰবন্ধ বা পদ্য প্ৰকাশ কৰিয়ে 'সাহিত্যৰথী', বা 'সাহিত্যিক শিৰোমণি' উপাধি লাভ আমাৰ ইয়াত বিৰল নহয়, কিন্তু চৌধাৰী ডাঙৰীয়াৰ বিষয়ে সাহ কৰি কব পাৰি যে তেখেত সেইবিধৰ সাহিত্যিক নহয় আৰু আগেয়েও নাছিল। তেখেতৰ প্ৰণীত কবিতা 'ভিক্ষা'ত তেখেতে লেখিছে—

নলওঁ ডিঙিত আঁৰি সম্ভ্ৰমৰ মালা
ভাবোঁ তাক অতি হেয় বুলি;
অপমান অপযশ লাঞ্ছনা শিৰত
ল'ম প্ৰভু আগ্ৰহেৰে তুলি

অকল ওপৰত লেখা কেইশাৰীয়ে তেখেতৰ মনৰ ভাব নহয়,গোটেই পদ্যটোৱে তেখেতৰ পৰিচয় জ্ঞাপক।

তেখেতৰ স্বভাৱগত মৃদুতা, অমায়িকতা আৰু সৰলতা তেখেতৰ বন্ধু সমাজত এটা আপ্‌ৰুগীয়া সম্পত্তি।

শ্ৰীযুক্ত চৌধাৰী ডাঙৰীয়াৰ জন্ম হয় ১৮০১ শকঁৰ মাঘ মাহত। নিচেই পানী কেচুৱা অৱস্থাতে দৈৱ দুৰ্ঘটনা ক্ৰমে তেখেত পিৰালিৰপৰা পৰি ভৰি দুখন বেয়া ভাৱে নিশকতীয়া কৰে। তেতিয়াৰপৰা তেখেতে অৱয়ৱৰ পূৰ্ণ পুষ্টি সাধন কৰিব নোৱাৰিলে। সৰুতে তেখেতে গুৱাহাটী ইংৰাজী স্কুলত পঢ়িছিল। তাতেঃ কোনো এজন শিক্ষকৰ কঠিন শাসন, তেখেতৰ স্বাধীনতাপ্ৰিয় কোমল মনত অতি গুৰু যেন অনুমান হল আৰু তেতিয়া ৰেপৰা স্কুলীয়া জীৱন সামৰিলে। তাৰ লগে লগে কিন্তু পঢ়া আধ্যাৰ অন্ত নপৰিল আৰু তেখেতৰ শিক্ষা দীক্ষাৰ প্ৰকৃত পৰিচয় .তেখেতৰ ভাৱদীপ্ত, মধুৰিমা-মিশ্ৰিত কৱিতাৰ কণ্ঠহাৰ কেডালিতে পোৱা যায়। সাংসাৰিক দুৰ্ঘটনাৰ সোঁত তেখেতৰ জীৱনত সাধাৰণতকৈ অলপ খৰতৰ। তেখেতে নিচেই ল ৰা কালতে পিতাক মাকক হেৰুৱালে, অৰ্থলোলুপ জ্ঞাতিবন্ধুৰ কৃপাত পিতৃ সম্পত্তিৰ পৰা বঞ্চিত হল আৰু আদহীয়া বয়সত স্বোপাৰ্জিত ভূসম্পত্তিও দৈব নিগ্ৰহত পৰহস্তগত হল। তেখেতে আজীৱন অবিবাহিত ভাৱে কটালে। তেখেতৰ মানসপুত্ৰ বা পুত্ৰিকাৰ ভিতৰত "সাদৰী" "কেতেকী" "দহিকতৰা" আৰু "কাৰবালা" এতিয়া ৰাইজৰ আগত, অচিৰ ভৱিষ্যতত আৰু দুটি এটি আশা কৰা বোধকৰোঁ নিষ্ফল নহয়। পদ্য লেখাতে হওক বা আন কামতে হওক তেখেত অশেষ ধীৰ, গতিত দ্ৰুততা তেখেতৰ পক্ষে যেনেকৈ অপৰিচিত; গ্ৰন্থ প্ৰণয়নতো

প্ৰায় তেনে ৰকমৰে, কিন্তু ইংৰাজ কবি টমাচ্ গ্ৰেৰ সমালোচকৰ ভাষাত কব পাৰি যে "his lines are chiselled for immortality."

কবিক ব্যাক্তিগত ভাবে প্ৰশংসা কৰা আমাৰ উদ্দেশ্য নহয়। আৰু গ্ৰন্থকাৰৰ জীৱন কালত সাহিত্য সমালোচনা কোনো বিষয়ত দুৰূহ হয় বুলি জানিয়ে আমি তেখেতৰ আটাইবোৰ কবিতাৰ সমালোচনা কৰিবলৈ ওলোৱা নাই, আনকি "সাদৰী"ৰ বিষয়ে আমাৰ দিয়েক কবলৈও বহুত বিদ্যা, বিবেচনা বিলম্বৰ পিচতহে ওলাইছোঁ। "কেতেকী"ৰ চমু সমালোচনা এটি অধ্যাপক শ্ৰীযুক্ত বাণীকান্ত কাকতী ডাঙৰীয়াৰ যোগ্যতৰ লেখনীৰ পৰা ওলাইছে, "কাৰবালাৰ" উল্লেখযোগ্য সমালোচনা এতিয়া লৈকে ওলোৱা নাই।

ঠায়ে ঠায়ে কঠিন পদৰ ভাঙনি আৰু আটাইবোৰ পদ্যৰ মূল ভাবটো সৰলভাবে দেখুৱাই কোমল বয়সৰ পাঠকসকলৰ মনত 'সাদৰী' অলপ সুগম কৰাই আমাৰ এই চেষ্টাৰ উদ্দেশ্য। সেই কাৰণে কিতাপৰ টীকাবোৰ পুৰা সমালোচকৰ ভাৱত নেলেখি লেখকৰ ভাৱৰ লগত মিল ৰাখি ছাত্ৰ, পাঠক শ্ৰেণীলৈ মনত ৰাখিহে লেখা হৈছে।

(খ)

# কবিতাবিলাকৰ সৰল ব্যাখ্যা

## ভিক্ষা।

দাৰিদ্ৰ্য—দৰিদ্ৰতা ; ইয়াত বিশেষকৈ বৰণ কৰা দৰিদ্ৰতা, যেনে সন্ন্যাসীৰ। লাওলোটা—সন্ন্যাসীয়ে হাতত লোৱা লাওৰ লোটা ; দৰিদ্ৰতাৰ চিন।

"ভিক্ষা" পদ্যৰ ভাব ভাৰতীয়ৰ মনত অতি পৰিচিত। সাংসাৰিক সুখ-সম্ভোগৰ প্ৰতি বিতৃষ্ণা, সমাজত প্ৰতিপত্তি বা প্ৰতিষ্ঠাৰ অসাৰতা আৰু ইন্দ্ৰিয়-সুখৰ অমূলকতা ইহাকেই কবিয়ে জীৱন্ত ভাৱে আঁকিবলৈ চেষ্টা কৰিছে। এনেবোৰ ভাৱ সমাজত থকা মানুহৰ পক্ষে শ্ৰেয় হয় নে নহয় সেই বিষয়ে মতদ্বৈধ থাকিব পাৰে, কিন্তু কবিয়ে যেনে ভাৱে সেই-বাৰ আৱেগপূৰ্ণ ভাষাত ব্যক্ত কৰিছে তাত কোনো আপত্তিৰ কাৰণ থাকিব নোৱাৰে ; কাৰণ তেখেতে সৰল বিশ্বাসেৰে এই সকলোবোৰ অসাৰ বুলি ঠাৱৰাই ভগৱানৰ ওপৰত ঐকান্তিক নিষ্ঠা আৰু নিৰ্ভৰতাৰ বাবে বিভুলৈ কাকুতিপূৰ্ণ অঞ্জলি আগ বঢ়াইছে।

কবিৰ ব্যক্তিগত জীৱনত এই কবিতাটো কিমান পৰিমাণে খাটে পাতনিতে উল্লেখ কৰা হৈছে।

## আৱাহন।

অনুৰাগ—প্ৰীতি। ইয়াত 'অনুৰাগে বঞ্চিত'—আনন্দ উল্লাসত উৎফুল্ল। যতী—যি সকলৰ ইন্দ্ৰিয় সংযত হৈছে অৰ্থাৎ ঋষি মুনি সকল। প্ৰেমানন্দে সৱে লীন—ঈশ্বৰৰ নাম প্ৰসঙ্গত অতিকৈ মুগ্ধ।

অসম উপত্যকাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান কটন কলেজৰ প্ৰতিষ্ঠাৰ সময়ত এই পদ্যটো পাঠ কৰা হৈছিল। এই উপলক্ষ্যটো ধৰিলে পদ্যটোৰ বহুত ভাব স্পষ্টকৈ ধৰা পৰে। 'সাদৰী'ৰ প্ৰথম তাঙৰণত 'সৰস্বতী' কবিতাৰ পিচতে এই পদ্যটোৱে ঠাই পায়, এই সংস্কৰণতো 'ভিক্ষাৰ' পিচত এই পদ্যটো থকা উপযুক্ত ভাৱ জ্ঞাপক হৈছে।

বিদ্যাৰ বা জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱীক উদ্দেশ্য কৰি কবিতাটো ৰচিত হৈছে। প্ৰথমতে কবিয়ে ৰংৰূপহ, শোভা-সৌন্দৰ্য্যৰ মাজেদি সকলোতে বিৰাজ কৰা আৰু প্ৰকৃতিৰ মনোমোহিনী মূৰ্ত্তিলৈ পাঠকৰ মন আকৰ্ষণ কৰে আৰু তাতে ভাৰতৰ পূৰ্ব্বগৌৰৱৰ ছায়া পেলাই ভাৰতীয়ৰ মনলৈ এটা ভক্তিপূত মাদকতা আনে, এনেতে জনম ভূমিৰ দীনাহীনা অৱস্থাৰ কথা মনত পৰে, তাৰ পিচৰ পদ কেই ফাঁকিত আকৌ কবিতাৰ বাণী বা জ্ঞানদায়িনী লৈ কৃপা কাতৰ ভাৱে কবিয়ে স্তুতিনতি জনায়।

# বহাগীৰ বিয়া।

গীতৰ ধ্বনিত স্বৰগত.........ছাট, স্বৰ্গীয় আনন্দত সকলো আপ্লুত হল।

দীপক সুৰ—গীতৰ সুৰ বিশেষ। তাৰ প্ৰভাৱত সুমোৰা চাকি জ্বলি উঠে বুলি প্ৰবাদ আছে। এই দীপক সুৰৰ গীতত ৰমণীয় কুঞ্জকানন আৰু ৰম্যতৰ হৈ উঠা স্বাভাৱিক।

অকল গছ-লতাৰ বৰ্ণনাই প্ৰকৃতিৰ বৰ্ণনা নহয়। প্ৰকৃতি নিৰ্জীৱ নহয় সজীৱ আৰু তাৰ এই সজীৱতা যেয়ে যিমান পূৰ্ণভাৱে অনুভৱ কৰিছে, প্ৰকৃতি তেওঁৰ ওচৰত সিমানে পৰিচিত, সিমানে ৰমণীয়।

"বহাগীৰ বিয়াত" কবিৰ মনত প্ৰকৃতি নীৰৱ, নিৰ্জীৱ বাহিৰৰ সাজ-সজ্জা বা তৰুলতাৰ সৌন্দৰ্য্য নহয় তাৰ আন্তৰিক সৌন্দৰ্য্য আৰু বসন্ত কালৰ তীব্ৰ মোহিনীৰূপ কবিৰ কল্পনাত মূৰ্ত্তিমতী যুৱতী স্বৰূপে দেখা দিছে। অসমীয়াৰ মাজত বিয়াৰ যিবোৰ ৰীতি-নীতি আচাৰ-পদ্ধতি সেইবোৰ কবিয়ে কল্পনাৰ কাৰু-কাৰ্য্যেৰে অতি বিচিত্ৰ ভাৱে সজাইছে আৰু দৰাকন্যা মিলনৰ পূৰ্ব্বাভাস স্বৰূপে নিৰ্ম্মল আনন্দ উপভোগ কৰি কৈছে—"মহাবিশ্বজুৰি বিৰিঙিছে যেন আনন্দৰ পূৰ্ণ ৰেখা।"

## মাধুৰী।

"মাধুৰী" কবিতাত কবিয়ে বসন্ত কালৰ বৰ্ণনা কৰিছে। দেখিবলৈ পদ্যটো সংস্কৃতীয়া হৈছে, কিন্তু অকল ম বা মকাৰৰ যোজনা ইমান বেছি যে নিভাঁজ অসমীয়া শব্দেৰে এনে মধুৰ ছন্দত এনে এটা কবিতা লেখা বোধ হয় অসম্ভৱ হলহেঁতেন। শব্দযোজনা আৰু সুৰৰ ঝঙ্কাৰত কবিৰ যে কিমান পাৰ্গতালি আছে তাক এই কবিতাৰ পৰা স্পষ্টকৈ বুজিব পাৰি। ইয়াৰ ভাববিলাক অতি সুপৰিচিত আৰু সহজ হলেও এই কবিতাটো কবিৰ এডুখৰি নিপুণ কাৰুকাৰ্য্য ( a piece of art ) বসন্ত বৰ্ণনাও অলপ সংস্কৃতীয়া ধৰণৰ হৈছে ( classical )। বসন্তৰ মৃদু মধুৰ মলয় বতাহত ফুলৰ সুঘ্ৰাণে ভোমোৰাক মতলীয়া কৰিছে, কুঞ্জবন বিবিধ বৰণৰ ফুলৰ শোভাত জাতিকাৰ হৈছে, 'মদালাপী' কুলিৰ মাতত বিলাসী যুৱতীৰ মনত চাঞ্চল্য উপস্থিত হৈছে, ম'বা, ৰাজহাঁহে সঙ্গিনীলৈ চাই আনন্দ প্ৰকাশ কৰিছে কিন্তু যোগীসকলে ভগৱানৰ নাম কীৰ্ত্তনত ৰত আছে আৰু প্ৰকৃতিৰ এনে অনুকূল সতেজ অৱস্থাত কবিৰ মনলৈও আনন্দৰ তৰঙ্গ আহিছে।

# গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি।

আশা কুমুদিনী—আশাৰূপ ভেটফুল।

"সাদৰী" প্ৰণেতাক বিশেষ ভাৱে 'বিহগী কবি' ( bird poet ) বুলিব পাৰি। এই পুথিত প্ৰকাশ হোৱা 'কেতেকী চৰাই' 'মৰমৰ পখী' আদিৰ উপৰিও "কেতেকী" নাম দি যিখন উচ্চ থাপৰ গীতি কবিতা তেখেতে প্ৰকাশ কৰিছে সেইখনে এই নাম সাৰ্থক কৰে।

এই কবিতাবোৰত বিহগী জগতৰ লগত কবিৰ ঘনিষ্ঠ সম্বন্ধ বা কুটুম্বিতাৰ চিন পোৱা যায়।

কবিৰ মনত বিহঙ্গিনী সাধাৰণ চৰাই নহয়, বনে বনে গীত গাই-উৰিফুৰা চৰাইটি তেওঁৰ 'প্ৰিয়তমা' হব নোৱাৰে; চৰাই জীৱনৰ লগত কবিৰ একান্ত সহানুভূতি আৰু আত্মোৎসৰ্গৰ ভাব দেখা যায়। তেওঁৰ মনত এই চৰাই স্বৰ্গীয় দূত; "স্বৰ্গীয় দূতৰ বেশে কণ্ঠে সুধা সানি" মৰ্ত্ত্যবাসী মানৱৰ মাজত প্ৰীতিৰ সোঁত বোৱাবলৈ আহিছে। আগেয়ে উল্লেখ কৰি অহা "কেতেকী" কাব্যত কবিয়ে এই "প্ৰিয় বিহঙ্গিনী"ৰ সূক্ষ্ম শৰীৰটোৰ বিশেষ পুষ্টি সাধন কৰাই বিভিন্ন অৱয়ৱ ধাৰণা কৰাইছে। কবিয়ে নিজৰ "আশা সুখ শান্তি প্ৰেম বাসনা তৃপিতি" সকলো প্ৰিয় বিহঙ্গিনীৰ হাততে অৰ্পন কৰিছে আৰু প্ৰীতি-বিগলিত কণ্ঠে সৰল শিশুৰ দৰে নিঃসহায় ভাব দেখুৱাই কৈছে "নাভাবিবা অভাগাক প্ৰিয় বিহঙ্গিনি"। কবিৰ মনত বৈষ্ণৱৰ মধুৰ ৰসৰ আভাস পোৱা যায়—আৰু সেই কাৰণেই যমুনাতীৰৰ ব্ৰজাঙ্গনা মনোহাৰী কৃষ্ণৰ মুৰলী ধ্বনিৰ উল্লেখ কৰে আৰু

কবিতাৰ শেষৰ পিনে কৈছে যে প্ৰিয় বিহঙ্গিনীয়ে বিৰহিণাৰ আৱেগ লৈ বিভুৰ মহিমা গীত গাই সুৰে, যেন তাইৰ মনতো বৃন্দাবনৰ গোপিকাৰ বিৰহৰ তীব্ৰ পোৰণি সজাগ হৈছে।

বিখ্যাত ইংৰাজ কবি কীটচৰ "নাইটীঙ্গল" কবিতাৰ শেষৰ কেকাঁকি চৌধাৰী ভাগুৰীয়াৰ পদ্যৰ সামৰণিৰ ভাবৰ প্ৰতিলিপি।

'কৰিছিলি ব্ৰজাঙ্গনা মন উন্মাদিনী'—মনৰ বিশেষণ 'উন্মাদিনী' নহৈ 'উন্মাদ হোৱাহে ব্যাকৰণসম্মত হলহেঁতেন কিন্তু এই ঠাইত 'উন্মাদিনী'ক ব্যাকৰণৰ আৰ্ষ প্ৰয়োগ বা নিয়মৰ বাহিৰ সূত্ৰৰ অন্তৰ্গত কৰি লব লাগিব।

অৰ্থ হিচাপেও এই শাৰীটোত ভালেখিনি কথা সোমাই আছে। ইয়াৰ আঁতিগুৰি লবলৈ হলে লিখকৰ 'কেতকী'ৰ ওচৰতহে পোৱা যাব। কেতেকী চৰাইৰ গীত শুনি শিশু শ্ৰীকৃষ্ণই ইমান মুগ্ধ হল যে তেৱেঁ। সেই সুললিত গীতৰ অধিকাৰী হবলৈ বিচাৰিলে।

'তুনাই মাকত পাতিলে জেউৰ
কিনো অবুজন কাণু
চেনেহী মাতৃয়ে সাজি দিলে এটি
ভুবনমোহন বেণু

চেনেহী মাতৃ যশোদাই কেতেকীৰ গীতৰ অনুকৰণ কৰি এটি ভুবনমোহন বেণু সাজি দিলে আৰু সেই বেণুৰ ধ্বনিয়েই ব্ৰজৰ অঙ্গনা ষোড়শ হাজাৰ গোপিনীক উন্মাদিনী কৰি এডালি প্ৰেমৰ সূতাৰে বান্ধি থলে।

# মৰমৰ পখী।

দিগ্ ছৌ বন—দূৰ হাবি ; "নাপাও সি সুখ মিলন মাধুৰী পাব"—মিলনৰ সুখ অনুভৱ কৰিবলৈ আৰু নাপাম ! "গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী !" শাৰীৰ পদ্য। 'প্ৰিয় বিহঙ্গিনী' অসাক্ষাতে উৰি গল, সেয়ে কবিৰ মনত দুঃসহ বিৰহ যন্ত্ৰণাৰ উদ্ৰেক কৰিলে।

# কেতেকী চৰাই।

আশাৰ পদুম—তুলনা 'মানস হ্ৰদত হাঁহে আশা কুমুদিনী'। 'হৃদয় বীণাত বাজে প্ৰেমৰ ৰাগিণী'—অন্তৰত প্ৰীতিৰ সঞ্চাৰ হয়।

স্বৰগৰ অমিয়া সনা চৰাইৰ মধুৰ কণ্ঠত কবিয়ে অকল প্ৰীতিৰ মধুৰ গীতি লহৰিকে শুনিছে আৰু কেতেকীক মৰ্ত্যলৈ প্ৰেমৰ বাতৰি অনা (messenger of love) দেৱদূত স্বৰূপে কল্পনা কৰিছে। চৰাই গানৰ মধুৰতা আৰু মাহাত্ম্য দেখি কবিয়ে সুসুধি নোৱাৰিলে 'প্ৰেম গীত গাবলই ক'তনো শিকিলা'। কবিৰ ধাৰণাত পাৰ্থিব স্নেহ প্ৰীতি দুদিনীয়া, চৰাইৰ সুৰত কিন্তু অবিনাশী বিশ্বব্যাপী প্ৰেমৰ আভাস পোৱা যায় আৰু তেওঁ সাব্যস্ত কৰিছে যে সেই কাৰণেই চৰাই গৃহস্থী নহৈ বনচাৰী হৈছে। পাৰ্থিব সুখ সম্ভোগলৈ কবিৰ সদায় অনাস্থা আৰু ইয়াতে তেওঁ কৈছে যে এই সকলো এৰিলো, তোমাৰ স্বৰ্গীয় প্ৰেমৰ বান্ধোনেৰে যেন দুয়ো দুয়োৰে কাষত বান্ধ খাই থাকিব পাৰোঁ। মানৱী প্ৰীতিত আৰু ভোল নাযাওঁ, তুমিয়ে মোক দিব্য প্ৰীতিৰ আভাস দিলা আৰু প্ৰেমৰ পথ দেখুৱালা।

# গোলাপ।

এই কবিতাটো কবিৰ সুকোমল সৌন্দৰ্য্য সপোন। কোনোবা অজানিত প্ৰেমিকৰ পৰশত মৰুভূমিত ফুলি উঠি আকাশস্পৰ্শী কলোচচ'ক ৰূপ মাধুৰীৰে মোহিত কৰি হিন্দুস্থান জয় কৰি শত শত প্ৰেমিকৰ বুকুত গোলাপ সুন্দৰীয়ে হা-হুতাশৰ ঢৌ তুলি দিছে। কবিৰ মানত গোলাপ জগতৰ সুকোমল সৌন্দৰ্য্য-সত্তাৰ মূৰ্ত্ত বিকাশ মাথোন। শেহৰ ষ্টাঞ্জাত এই সৌন্দৰ্য্যৰ প্ৰতি কবিৰ সৰাগ হেপাঁহ ফুটি উঠিছে।

"ফুলবিনে মোৰ মানস কুঞ্জত
অ' মোৰ দৰদী ফুলাম পাহি
উঠিবনে বাজি প্ৰিয়া পাপিয়াৰ
পুলক ভৰা মিলন বাঁহী ?"

গোলাপ ফুলে আৰবিস্তানৰ বচ্‌ৰা ৰাজ্যৰপৰা লাহে লাহে আহি ভাৰতবৰ্ষত সোমাই প্ৰসিদ্ধি লাভ কৰিছে। সেই দেখি গোলাপ কবিতাত কবিয়ে গুৰলা গুৰলা ফাৰ্‌ছী শব্দও ব্যৱহাৰ কৰিছে। এই কবিতাত ভাৱৰ হিল্লোল, শব্দৰ ললিত ঝঙ্কাৰ আৰু ছন্দৰ মন্দাক্ৰান্তা গতি বিশেষ ভাৱে লক্ষ্য কৰিবলগীয়া।

১। শ্যামলী পাটৰ ওৰণি—সেউজীয়া পাটৰ কাপোৰৰ নিচিনা গোলাপৰ কলিৰ ওপৰত থকা আভৰণ।

২। কোন নন্দনত......মছগুল—সেইখন কোন নন্দন ফুলনি য'ত অপেস্বৰা বুলবুল চৰায়ে নাচিব লাগিছে আৰু য'ৰ পৰা কিবা অভিশাপত তাই পৃথিৱীলৈ নামি আহি মৰ্ত্ত্যৰ বিলাস ফুলনিত যেন প্ৰণয়ৰ ৰাগীত বিভোৰ হলহি।

৩। হাচ্‌নাহানাৰ·········তৃষ্ণা।—যেতিয়া হাচ্‌নাহানা ফুল ফুলি গোন্ধত আমোলমোলাব ধৰে, তেতিয়া এদিন বসন্তকালৰ জোনাক ৰাতি আকাশত জোনে তাৰ ৰূপ চায়েই প্ৰাণৰ পিয়াহ পলুৱালে অৰ্থাৎ আকাশত যেনেকৈ জোনৰ জেউতি ভৰপুৰ হৈ উঠিছিল, পৃথিৱীত তাৰ ৰূপো তেনেকৈ চালে চকুৱোৱা হৈছিল।

৪। আৰব পিয়াৰী বচ্‌ৰা ৰাণী—আৰব দেশৰ শ্ৰেষ্ঠ প্ৰদেশ বচ্‌ৰা।
গুলবদন—লাৱণ্যযুক্ত মুখ।
পাপিয়া=আমাৰ কুলি চৰাইৰ নিচিনা আৰবদেশৰ এবিধ গায়ক চৰাই।

৫। মৰুউদ্যান—আৰব দেশ মৰুভূমিৰ কাৰণে বিখ্যাত। সেই মৰুভূমিত জাত ফুলনি।

গগনচুম্বী কলোচচ—ভূমধ্যসাগৰৰ ৰোড্‌চ্‌ আৰু চাইপ্ৰছ দ্বীপত ভৰি দি থকা পিতলৰ মাহটোক কলোচচ বোলে। ই পৃথিৱীৰ সাতবিধ আশ্চৰ্য্যৰ এবিধ। ই ইমান ওখ ( ১০৫ ফুট ) যে আকাশত লাগি থকা যেন দেখা যায়। সেই কাৰণেই গগনচুম্বী। ইয়াৰ ওচৰতে বচৰা ৰাজ্য। সেই কাৰণেই "ফুলিলি যিদিনা······ৰূপ মাধুৰী।"

৬। বেবিলনৰ গুলবাগান—বেবিলনৰ শূন্যত থকা ফুলনিও পৃথিৱীৰ সাতবিধ আশ্চৰ্য্যৰ এবিধ। সেই দেখিয়েই ইয়াক গুলবাগান বোলা হৈছে।

কবিৰ মুখত অমৰ বাণী—ঘাইকৈ ওমৰখায়াম, হাফেজ, ছাদী আদি কবিসকলৰ লিখাকেই কোৱা হৈছে।

৭। বিজ্ঞাপন ৰূপ, সুন্দৰ গোন্ধ, সুন্দৰ ৰস, (যাৰ পৰা আতৰ আদি হয়) আৰু নিমজ স্পৰ্শসুখৰ প্ৰণয়ৰ দ্বাৰা হিন্দুস্থান জিনিলি অৰ্থাৎ ভাৰতবৰ্ষৰ সকলোকে মুহিলি।

দিল দৰিয়াত—হৃদয়ৰূপ নৈত।

৮। দিল্লীৰ বেগমচাহেবা নুৰজাহানৰ গোলাপ ফুল বৰ প্ৰিয় আছিল। প্ৰথমতে তেৱেঁই ইয়াৰ ৰসৰপৰা আতৰ আৰু গোলাপজল উলিয়াইছিল বুলি শুনা যায়। সেই দেখিয়েই ইয়াত নুৰআহানৰ কথা কোৱা হৈছে।

৯। কোন সুন্দৰীৰ.......মৰ্ম্মৰ তাজ! —কোন সুন্দৰীৰ নিমজ গালত তোৰ নিচিনা জেউতি অৰ্থাৎ গোলাপী আভা দি সৌন্দৰ্য্য দান কৰিছিল! দিল্লীৰ মমতাজ বেগমেও তেনে সৌন্দৰ্য্য লাভ কৰিছিল আৰু তেওঁৰ মৃত্যুত তাকে সুঁৱৰি ছাজাহান পাটছাহে ভুবনবিখ্যাত তাজমহল নিৰ্ম্মাণ কৰালে।

---

## ভেঁটকলি।

নন্দন বনত—স্বৰ্গত ইন্দ্ৰৰ মনোৰম ফুলনিৰ নাম 'নন্দন কানন' প্ৰকৃতিৰ নন্দন বন বুলিলে স্বভাৱ সুন্দৰ প্ৰকৃতিৰ মনোহৰ স্থান বুজায়।

ভেঁটকলিক কৱিয়ে সৰলা প্ৰকৃতিবালা স্বৰূপে কল্পনা কৰিছে আৰু জোনৰ স্নিগ্ধ উজ্জ্বল কিৰণক তেওঁৰ পতি স্বৰূপে বৰ্ণনা কৰিছে

তোমোৰাৰ মুখত প্ৰিয় আগমনৰ বাতৰি পাই লাজুকী ফুলৰ কুৰঁৰীয়ে "একে ধ্যানে ৰ'ল চাই প্ৰিয় মুখলই" তাৰ পিচতে মিলন সম্ভোগৰ তৃপ্তি "লাৱণ্য বিনয় প্ৰীতি' আদি স্ত্ৰী সুলভ গুণৰ মুক্ত প্ৰকাশেৰে জগতক ব্যক্ত কৰিলে আৰু বিৰহীৰ প্ৰাণতো আনন্দৰ কণা চতিয়ালে। কবিয়ে ভেঁটকলিক মূৰ্ত্তিমতী পবিত্ৰতা বুলি শ্ৰদ্ধা কৰি দিব্যজ্ঞান লাভৰ উপায় স্বৰূপে তেওঁৰ প্ৰীতি কামনা কৰিছে।

---

## জোন আৰু জোনাকী।

এই কবিতাটো লিখকৰ "মনাই-বৰাগা' কবিতাৰ অন্তৰ্গত। জোন আৰু জোনাকীপৰুৱা দুয়ো কথাত কেৱে কাকো ঘাটি খুৱাব পৰা নাছিল। ৰাতি পুৱালত সূৰ্য্যৰ পোহৰত দুয়ো অন্তৰ্দ্ধান হল সঁচা, কিন্তু কোন ডাঙৰ, কোন সৰু ইয়াৰ সমিধান কবিয়ে ইঙ্গিতেৰে পালে—

"ক্ষুদ্ৰ হৈয়ো চিৰকাল স্বাধীন যিজন
দুখতেই থাকে প্ৰাণধৰি
ভাবি চোৱা সেইজন কিমান মহৎ
পৰাধীন জীৱনত কৰি।'

# বিশ্ব।

সিন্ধু প্রেমাধীনা—সাগৰৰ প্ৰীতিৰ বশ ; নৈ যেন সাগৰৰ প্ৰীতিত ভোল গৈ তালৈ আগবাঢ়ি যায়।

বিশ্বত ঈশ্বৰ সৃষ্টি কৌশলত মুগ্ধ হৈ প্রত্যেক কামতে তেওঁৰ অপাৰ্থিব দক্ষতা আৰু অদ্ভুত সৃষ্টি কৌশল দেখি কবিয়ে বিস্ময়ান্বিত হৈ শ্রদ্ধা আৰু গৌৰবৰ অঞ্জলি যাচি এই কবিতাটি লিখিছে।

---

# উপমা।

এই কবিতাটো এধাৰ মুকুতাৰ মালা বুলিব পাৰি ; কিয়নো ইয়াৰ প্রত্যেকটো 'ষ্টাঞ্জাই' এটি এটি মুকুতাৰ নিচিনা, স্বকীয়া ভাব, স্বকীয়া সৌন্দৰ্য্যেৰে প্রত্যেকটোৰেই ভৰপূৰ। নিপুণ শিল্পী কবিয়ে এনে চমৎকাৰ ভাৱে এই মালাধাৰ গাথিছে যে, দেখিলে আচৰিত হব লাগে। ধ'ল পুৱাৰ অৰুণোদয় হোৱাৰ আগৰ পৰা, ক্রমাৎ পুৱা, দুপৰীয়া, সন্ধ্যা, দোভাগ নিশালৈকে চকুত পৰা বেলেগ বেলেগ প্রাকৃতিক দৃশ্যত ইটোৰ কোলাত সিটোক খাপ খুৱাই বহুৱাই সুন্দৰভাৱে ৰিজাব পৰা বিশ্বৰ চাৰু চিত্র দেখি কবিয়ে আকুল হৈ উঠিছে। তেওঁৰ ইচ্ছা প্রকৃতি-মাতৃৰ কোলাত যেন তেওঁ চিৰকালে অজান শিশুৰ দৰে উমলি থাকিব। এই কবিতাটোৰ প্রত্যেকটো 'ষ্টাঞ্জাই' একোটি সৰু সৰু কবিতা আৰু আটাইবোৰে লগলাগি সমষ্টিত ভাব প্রকাশ কৰি এটি ডাঙৰ কবিতাত পৰিণত হৈছে।

## ছায়াচিত্ৰ।

উৰ্ব্বশী, মেনকা—স্বৰ্গৰ অপেশ্বৰা, তেওঁলোক ৰূপত অতুলনীয়। চিত্ৰলেখা—বাণৰ জীয়াৰী উষাদেৱীৰ সখীয়েক ; চিত্ৰ বিদ্যাত সুনিপুণা বাবে তেওঁৰ নাম চিত্ৰলেখা ৰখা হৈছিল। কোনেও মুসুণ্ডা—নকৈ ফুলা, কাৰো ঘ্ৰাণত দূষিত নোহোৱা।

এই কবিতাত কবিয়ে এজনী সুন্দৰী ছোৱালীৰ কল্পনা কৰিছে। ছোৱালীজনী বয়সত কুমলীয়া, কিন্তু লাহে লাহে গাত যৌৱনৰ সৌন্দৰ্য্য দেখা দিছে। সংসাৰৰ সুখ-দুখৰপৰা আঁতৰত নৈৰ পাৰত আপোনমনে ৰং ধেমালি কৰে, ধুনীয়া ফুল ছিঙি নি নৈৰ সোঁতত উটুৱাই দি চালে চাই ৰং পায়, গধূলিৰ তৰাটিয়ো তেওঁৰ ৰূপ গুণত মুগ্ধ হৈ তেওঁৰ লগত সখী পাতিলে।

---

## সখীলৈ।

এই কবিতাটোত কবিয়ে অতি সৰল সহজ ভাষাত তেওঁৰ সোণালি লৰাকালৰ লগৰীয়া সখীয়েকলৈ মনত পেলাই অতীতৰ হাঁহি বিষাদ, ৰং ধেমালি আৰু ইটোৱে সিটোক অকপটভাৱে ভালপোৱাৰ কথা বৰ্ণনা কৰিছে। এই নিৰ্ম্মল ভালপোৱাৰ কথা সঁচাকৈয়ে উভোগ কৰিবলগীয়া হৈছে। এই কবিতাটো অতীতৰ ক্ষন্তেকীয়া সুখৰ প্ৰতি কবিৰ হেপাহপূৰ্ণ দৃষ্টি।

শৈশৱৰ ধূলি খেলা
যৌৱনৰ ৰূপলীলা
স্বৰগ পাতাল যেন নালাগেনে বাৰু !

# গছৰ পাত।

আছে যদি······ আঁকি—পৱিত্ৰ প্ৰণয়ত অপাৰ আনন্দ আছে আৰু প্ৰকৃতিয়ে তাৰ চানেকী স্বৰূপে কোমলতা শীতলতা আদি গুণেৰে ভূষিত কৰি গছৰ পাতক আদৰ্শ প্ৰণয়িনী স্বৰূপে দেখুৱাই দৰ্শকৰ মনত অসীম আনন্দ দিছে।

অন্তৰৰ গুপ্ত ভাৱ......জনোৱা—অন্তৰৰ গুপ্ত ভাৱ—ডেকা কালৰ স্বাভাৱিক মনৰ গতি অনুসাৰে ভোগ বিলাসৰ কামনা,—সেই ভাৱ অন্তৰত ৰাখি প্ৰফুল্লচিত্তে প্ৰকৃতিক জনাইছে।

তৰুণ লাৱণ্য আভা—ডেকা কালৰ সুন্দৰ শ্ৰী। "গছৰ পাত" শব্দটো দেখাত যদিও নীৰস যেন দেখি কবিয়ে নিপুণ লেখনীৰে তাত অপূৰ্ব্ব সৌন্দৰ্য্য আৰু কোমলতা চিত্ৰিত কৰি তুলিছে। সুন্দৰী গাভৰু ছোৱালী এজনীৰ সৰলতা, কোমলতা, আৰু প্ৰফুল্লতা 'গছৰ পাতত' দেখা গৈছে, বসন্তৰ আগমনত অতি উদাৰভাৱে মনৰ আনন্দ প্ৰকাশ কৰা সুৱগী চৰাইৰ গীতত মুগ্ধ হোৱা গাভৰুৰ পক্ষে অতি স্বাভাৱিক। ঋতু পৰিৱৰ্ত্তনৰ লগে লগে গ্ৰীষ্ম বা বৰ্ষা কালত গছৰ পাতৰ 'তৰুণ লাৱণ্য আভা' বাঢ়ে; কিন্তু সময়ৰ সোঁতত যেতিয়া দুঃসহ শীতৰ আবিৰ্ভাৱ হয়, তেতিয়া ঠেৰেঙা লাগি পাত সৰি যায় আৰু সেই অৱস্থা দেখি কবিৰ অন্তৰত এটি গভীৰ হুমুনিয়াহ আহে। যেতিয়া তেওঁ বিনাশী কালৰ সোঁত লক্ষ্য কৰি কয় যে মৰ জীৱনৰ এয়ে পৰিণাম "মাটিৰ শৰীৰ পুনু মাটিতে মিলিব" অকল স্মৃতি মাত্ৰ থাকিব।

দশম পদৰ ২য় ফাঁকিৰ হ'লা'—হোৱা অৰ্থাৎ নিত্য বৰ্ত্তমান অৰ্থত।

# ফল্গু।

নিৰ্ব্বাণমুক্তি—পুনৰ্জন্ম নোহোৱাকৈ মুক্তি অৰ্থাৎ মোক্ষ লাভ বা চিৰশান্তি।

পুৰণি আখ্যান এটাৰ আলম লৈ কবিতাটি ৰচনা কৰা হৈছে। 'ভোগৱতীফল্গু' পাতালৰ নৈ এখনি বুলি জনা যায়। কবিৰ বৰ্ণিত ফল্গু কিন্তু পৃথিৱীৰ। কবিয়ে পৃথিবীৰ নৈখনিত পাতালৰ নৈখনিৰ যুৱতী বা উৎপত্তি আৰোপ কৰিছে। কবিয়ে বৰ্ণাইছে "অন্তঃসলিলা" ফল্গুৰে স্বৰ্গচ্যুতহৈ পৃথিৱীলৈ আহে আৰু বালিৰ তলে তলে কোনেও নেদেখাকৈ বৈ থাকে ( সেয়ে তাক অন্তঃসলিলা বোলে )। ফল্গু দেৱ-দুহিতা আছিল, আৰু তেওঁ নৃত্য কৰি কৰি কোনোবা যোগীৰ তপস্যাত ব্যাঘাত জন্মোৱাত সেই যোগীৰ শাপত স্বৰ্গৰপৰা আঁতৰি পৃথিৱীৰ নিজান গৰ্ভত প্ৰেমৰ অবিৰাম সোঁত স্বৰূপে অনন্ত উদ্দেশ্যে গতি লবলৈ বাধ্য হৈছে। কবিয়ে ফল্গুৰ জীৱনটো বৰ কৰুণ যেন ভাবিছে। তেওঁৰ জানিবলৈ হাবিয়াহ হৈছে যে প্ৰকৃতিৰ আন আন জীৱৰ দৰে ফল্গুৰো সুখদুঃখ হেপাহ·নৈৰাশ্য আছে নে নাই। শেহত কবিয়ে ফল্গুৰ কৰুণ কাতৰ গীতৰ স্বৰূপ উপলব্ধি কৰি সমবেদনাৰ সুৰত কৈছে "তোমাৰ গীতত বিচ্ছেদৰ বিননি ফুটি ওলাইছে। গভীৰ বিষাদভৰা সুৰে গীত গাই গাই বিৰাট বাসনা আৰু প্ৰেম বুকত বান্ধিলৈ তুমি অনন্তৰ উদ্দেশ্যে বৈ যাবলৈ ধৰিছা।" তাৰ পাচত—নিচেই ওচৰ চাপি কবিয়ে অতি আগ্ৰহেৰে কৈছে—"তুমি অনন্ত যৌৱনা, চিৰ শান্তি প্ৰবাহিনী। মোৰ জীৱন মৰুময়, মোৰ মনত শান্তি নাই; তোমাৰ অমৃতময় কোলাত মোক আশ্ৰয় দিয়া। মোৰ পাপ আৰু দুঃখৰ অৱসান হওক"।

---

# বশিষ্ঠাশ্ৰম।

হৃদয় দুৰ্গ—অভেদ্য বা খণ্ডন কৰিব নোৱাৰি এই অৰ্থত। "বিশ্বলীলা অভিনয় কীৰ্ত্তিশত"—শত শত কীৰ্ত্তিৰে সৈতে বিশ্বলীলা অভিনয় অৰ্থাৎ, জগতত কেনে ভাবে অৱস্থাৰ পৰিবৰ্ত্তন হয় তাৰ এটা হুবহু চিত্ৰ বশিষ্ঠৰ 'হৃদয়ৰ দুৰ্গত' লেখা আছে।

গুৱাহাটী নগৰৰ দক্ষিণ ফালে সাত মাইল দূৰৈত থকা সন্ধ্যাচল পৰ্ব্বতত অৱস্থিত 'বশিষ্ঠাশ্ৰম'খনি ভাৰতৰ পূজ্যপাদ ঋষি ৰামৰ কুলগুৰু বশিষ্ঠ মুনিৰ আশ্ৰম বুলি জনা যায়। কালিকা পুৰাণমতে,—পূৰ্ব্ব কালত বশিষ্ঠ মুনি ৰাজৰ্ষি নিমিৰ শাপত দেহহীন হয় আৰু ব্ৰহ্মাৰ উপদেশ মতে নিৰ্জ্জন স্নিগ্ধচ্ছায়া তৰুলতা সমাকীৰ্ণ সন্ধ্যাচলত গৈ বিষ্ণুক আৰাধনা কৰে। ঋষিৰ কঠোৰ তপস্যাত বিষ্ণু সন্তুষ্ট হৈ সন্ধ্যাচলত এটি অমৃত কুণ্ড স্থাপন কৰে। মুনিয়ে সেই পবিত্ৰ সলিলত স্নান কৰি নিজ দেহ প্ৰাপ্ত হয়। সেই কুণ্ডৰপৰা, সন্ধ্যা, ললিতা আৰু কান্তা নামে তিনিটা ধাৰা প্ৰবাহিত হৈ লৌহিত্য নদীত পৰিছে। এতিয়া তাৰ প্ৰাকৃতিক সৌন্দৰ্য্য বা নিৰ্জ্জনতাৰ বহুত ব্যাঘাত ঘটিলেও তাৰ কেউপিনে গম্ভীৰ পৰ্ব্বতে আগুৰি থকা শান্ত-শীতল ছায়া-ময় পাৰ্ব্বত্য চিত্ৰ দেখি আৰু তাৰ নিৰ্জ্জন কন্দৰ ভেদ কৰি অনৰ্গল বাজি থকা—"সন্ধ্যা" "ললিতা" "কান্তা" নিজৰা তিনি খনিৰ করুণ-কাতৰ ধ্বনি শুনি যেই সেই নীৰস চিত্ততো গভীৰ আনন্দ আৰু বিস্ময় পুলকৰ সঞ্চাৰ হয়। কবিৰ বৰ্ণনা বৰ্ত্তমান অৱস্থাত দেখা বশিষ্ঠাশ্ৰম নহয়, প্ৰায় দেড়কুৰি বছৰৰো আগৰ স্বাভাৱিক সৌন্দৰ্য্যৰ

পূৰ্ণ অৱস্থাৰ। বশিষ্ঠাশ্ৰমৰ অনুপম দিৰ্জ্জন সৌন্দৰ্য্য পূৰ্ণ ভাৰতৰ লুপ্ত গৌৰৱে স্বভাৱতে কবিৰ মন আকৰ্ষণ কৰিছে। সেই পৱিত্ৰ স্মৃতি মনত পৰি কবিয়ে ভক্তিপূত হৈ প্ৰাচীন কালৰ পৱিত্ৰ কাহিনীবিলাক বৰ্ণাই গৌৰৱ অনুভৱ কৰিছে ; – বৰ্ত্তমান যুগৰ পৰিবৰ্ত্তন দেখি কবিয়ে কৈছে যে বশিষ্ঠাশ্ৰমেও অৱস্থাৰ পৰিবৰ্ত্তন বুজিব পাৰিছে আৰু অতীতৰ পুণ্যস্মৃতি শিল নিৰে বন্ধা হৃদয় দুৰ্গত মচিব নোৱাৰাকৈ লেখি ৰাখিছে, বিজেতাৰ অত্যাচাৰত কাতৰ নহৈ অতীত ভাৰতৰ আপূৰুগীয়া সম্পদ এতিয়াও নিৰ্ম্মল ভাৱে ৰক্ষা কৰিছে।

---

# মাতৃদেৱী।

আৰাম—আশ্বাস এই অৰ্থত।

মাতৃদেৱী যেন স্বৰ্গৰ সদানন্দ ধামত বিৰাজ কৰিছে আৰু মাউৰা পুত্ৰই তেওঁলৈ আগ্ৰহেৰে হাত বঢ়াইছে। স্বৰ্গৰ বৰ্ণনা সুন্দৰ হৈছে।

কবিৰ ব্যক্তিগত জীৱনত ইয়াৰ আভাস পোৱা যায়।

## শ্রীশঙ্কৰদেৱ।

পিঙ্গলা লাহৰি......কণ্ঠত—'কবিতাৰ মালাৰে সৰস্বতীক পূজা কৰিলা' অৰ্থাৎ প্ৰকৃত জ্ঞান চৰ্চ্চা কৰিলা।

বঙ্গালে ভাৰতী... ..বীণা
নিৰ্জ্জীব জনমভূমি......চেতনা } —সেই গীতৰ প্ৰভাৱতে

জনমভূমি অসমত এটা জাতীয় জাগৰণ আহিল আৰু তেতিয়াৰ পৰাই সাহিত্য আৰু সমাজত এটা নতুন প্ৰাণৰ সঞ্চাৰ হ'ল।

আশা নদী পাৰে......বিনায়—নৈৰ পাৰত বহি কন্দা নিঃসহায় অৱস্থা বুজাবলৈ এটা বৰ স্বাভাৱিক উপমা; তোমাৰ কৃপা লাভৰ আশাই এক মাত্ৰ অৱলম্বন, এই অৰ্থত।

শ্ৰীমন্ত শঙ্কৰদেৱৰ সকলো কীৰ্ত্তি-কলাপ, সাহিত্যলৈ অনুৰাগ আৰু ধৰ্ম্মৰ ওপৰত ঘোৰ আস্থাৰ ভাৱ কবিতাটোত সুন্দৰ ভাৱে ফুটি উঠিছে। তেখেতে যি সাহিত্য, সমাজ আৰু ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰি গ'ল সি আজিলৈকে অচল; অটল ভাৱে আছে আৰু অসমীয়াৰ জাতীয় গৌৰৱ ঘাইকৈ তেখেতৰ বিদ্যাবুদ্ধি, আৰু ধৰ্ম্মপৰায়ণতাৰ ওপৰত প্ৰতিষ্ঠিত।

এই কবিতাটো লেখি ১৯০৪ চনত কবিয়ে কলিকতা এ, এছ, এল, ক্লবৰ অসমীয়া পদ্যৰ প্ৰথম বঁটা পায়।

# বৰ্ষা ।

বৰ্ষাকালৰ প্ৰাকৃতিক দৃশ্য আৰু সৌন্দৰ্য্যই এই কবিতাৰ বৰ্ণনাৰ বিষয়। অকল প্ৰকৃতিৰ ওপৰত বৰ্ষা কালৰ প্ৰভাব বৰ্ণাই কবি ক্ষান্ত থকা নাই, তাৰ ৰসাল কোমল ভাৱত মানুহে যে এটা শান্তি অনুভব কৰে তালৈকে আঙুলিয়াইছে।

প্ৰিয়া বিৰহত·····প্ৰেমৰ বাতৰি দিয়া—যক্ষৰাজ কুবেৰৰ অভিশাপত নিৰ্ব্বাসিত কোনো এক যক্ষই ৰামগিৰি আশ্ৰমত প্ৰিয়াবিচ্ছেদত কাতৰ হৈ বৰ্ষা কালৰ মেঘক তেওঁৰ প্ৰিয়াৰ ওচৰলৈ প্ৰীতি সম্ভাষণ লৈ দূত স্বৰূপে যাবলৈ খাটিছিল।

---

# হেঁপাহ।

দিওঁ নিৰমল······প্ৰেম নিয়ৰৰ পানী—হিয়াত চিকোণ, নিৰ্ম্মল প্ৰেম নিয়ৰৰ পানী দিওঁ অৰ্থাৎ ৰাতি পুৱাৰ বেলিৰ পোহৰ পৰি নিয়ৰৰ কণাবোৰ এনে সুন্দৰ হয় যে সেইবোৰ দেখি স্বভাৱতে মনত বৰ ভাল লাগে।

কবিৰ মনত খেলাইছে যেন সেই নিয়ৰৰ বিন্দুবোৰ পুৱতী সুৰুযেহে সিঁচি দি জেউতি চৰাইছে। প্ৰকৃতিৰ সৌন্দৰ্য্যৰ কেইটামান (phrase) ৰূপ বা দৃশ্য কবিয়ে নিজৰ হৃদয়ত সজাই লৈছে; তেওঁৰ মানস হ্ৰদত পদুম, উপৱনত মালতী টগৰ, হৃদয়ৰ কুঞ্জবনত বসন্তৰ বিৰাজ ইত্যাদি

ৰূপৰ লীলা সদায় খেলি আছে। কবিয়ে নিজে স্রজন কৰি আকৌ তাকেই উপভোগ কৰিবলৈ স্বভাৱতে যি 'হেঁপাহ' জাগিছে তাক এই কবিতাত বৰ্ণাইছে। যেনে, ৰাতিপুৱাৰ বেলিৰ পোহৰ পৰি বননি ফুলনি সকলো জাতিষ্কাৰ হয়।

বেলিয়ে চাৰিওফালে মুকুতাৰ জেউতি চৰাই নিয়ৰৰ বিন্দুবিলাক উজ্জ্বল কৰি তোলে। বসন্তত ৰঙিয়াল চৰায়ে আনন্দত ঠেও ধৰি প্ৰকৃতিৰ গুণ গান কৰে। প্ৰতি ঢৌৱে ঢৌৱে জোনৰ প্ৰতিবিম্ব ফুটাই লৈ নীল সাগৰে জোনৰ ৰূপ-অমৃত উপভোগ কৰে। কবিৰ হেঁপাহ যেন কল্পনাৰদ্বাৰা নিজৰ অন্তঃকৰণত এই সকলোবোৰ সৌন্দৰ্য্য নিজে কল্পনা কৰি চিৰ জীৱন উপভোগ কৰি অনুপম সুখ লভিব পাৰে। অৰ্থাৎ ঈশ্বৰে যেনেকৈ বিশ্বজগত সৃষ্টি কৰি তাৰ সৌন্দৰ্য্য নানা ৰূপ ধৰি নানা ভাৱে উপভোগ কৰি তৃপ্তি পাইছে, কবিৰো ইচ্ছা তেওঁৰ হিয়াৰ ক্ষুদ্ৰ জগতত বিৰাট জগতৰ আদৰ্শ লৈ তেনে ভাৱৰ সৌন্দৰ্য্যৰ সৃষ্টি আৰু উপভোগৰ চেষ্টা কৰা।

প্ৰিয়া প্ৰতিকৃতি—প্ৰিয়াৰ মুখৰ অবিকল অনুকৰণ অৰ্থাৎ সৌন্দৰ্য্য-সাদৃশ্য। প্ৰাণ চকোৰক···পিয়াওঁ—চকোৰে যিদৰে ৰূপহ জোনৰ সৌন্দৰ্য্য পান কৰে তেনেকৈ মোৰ প্ৰাণো পৰিতৃপ্ত হব।

# নিৰাশ।

স্মৃতিয়ে মানুহৰ মনলৈ সুখ দুখ দুয়োটা আনে। স্মৃতিৰ লগতে জড়িত থকা কথাবোৰৰ লগত মানুহৰ ইমান সম্বন্ধ যে তেওঁলোকে হেজাৰ দুখ দুৰ্গতিৰ স্মৃতি হলেও মনত শান্তি অনুভৱ কৰে। কবিয়ে এই পদ্যটোত এটা শোকাবহ স্মৃতিৰ কথা উল্লেখ কৰিছে; কিন্তু তাৰ ভিতৰতে তেওঁৰ অন্তৰৰ ভাবৰাশি বিকাশ পাইছে। তেওঁৰ অন্তৰৰ আদৰৰ ছবি "ঊষা প্ৰতিমা"। তেওৰ জীৱনৰ ঊষা-প্ৰতিমাৰ আগমনৰ লগে লগে আনন্দৰ সূচনা হল; গছ-লতা, ফুল-ফল, সকলোৱে নিজৰ সুশ্ৰী আৰু সৌৰভেৰে বলিয়া কৰিলে; কিন্তু এনেতে বিপদ ৰূপ কলা ডাৱৰে ঊষা প্ৰতিমাৰ মুখ ঢাকি অদৃশ্য কৰিলে। মিলনৰ আকাঙ্ক্ষাত কবিয়ে গোটেই জগতত এটা বেজাৰৰ দাঘল হুমুনিয়াহ পাই সকলো আশাত নিৰাশ হল।

---

# বিষাদ।

মানস-কুসুম—মনৰ কল্পিত ফুল অৰ্থাৎ কোনোবা এদিনৰ আনন্দ-দায়ক প্ৰিয় বস্তু এটি।

খঞ্জনী—বালিমাহী চৰাই, ধুপুনী চৰাই।

বিষাদ পদ্যটো বৰ ধুনীয়া। কবিয়ে ইয়াত অতি সৰল ভাৱে এটা মানসিক ছবি দিছে। প্ৰকৃতিৰ সুন্দৰ দৃশ্য আৰু তাৰ পৰিৱৰ্ত্তনৰ মাজত

মনৰ মনৰ এটা চিত্ৰ আঁকিছে। তেওঁৰ দেখা শেৱালি-জুপি শৰতত আতিকাৰ হৈ ফুলিল, খঞ্জনী চৰাইটীয়ে আহি স্বৰগৰ অপেস্বৰাৰ দৰে পুষ্প কাননত নৃত্য ভঙ্গিৰে জগত মোহিত কৰিলে। নিদাঘত সৰি গল ফুল, উৰি গল পাখী আৰু জগত বিষাদময় হল। ঋতু পৰিবৰ্ত্তনৰ লগে লগে সেই ফুলডালি আকৌ ফুলিব, খঞ্জনী পখী আহি আকৌ নাচি গীত গাব, আনন্দ কৰিব ; কিন্তু কবিৰ হৃদয়লৈ আৰু ঘূনাই আনন্দৰ ভাৱ নাহে। যি মানস-কুসুম সৰি গৈছে সি আৰু ঘূনাই ঠন ধৰি নুঠে—সকলো নিৰানন্দ, বিষাদময় হৈছে।

সৌন্দৰ্য্যপৰাগ শূন্য হিয়াখনি—মানস কুসুম সৰি যোৱাৰ লগে লগে সৌন্দৰ্য্য স্বৰূপ যে তাৰ পৰাগ ( ৰেণু ) আছিল সিও লোপ পাইছে।

---

## বণিজৰ কথা।

এই কবিতাটোও লিখকৰ 'মনাই-বৰাগী' কবিতাৰ অন্তৰ্গত। ই এটি ৰূপক কবিতা। এই কবিতাত লিখকে জীৱনৰ বিফল বণিজ যাত্ৰাৰ কথা সুন্দৰ ভাবে বৰ্ণাইছে। এই বণিজ যাত্ৰা আচলতে জীৱনৰ এক ব্যৰ্থ পৰ্ব্বৰ কথাহে।

"আহিছিল যিবা সঙ্গী নাওবৈছা
অকামিলা ছটা ভাই...।"

এই ছটা ভাই যে কাম ক্রোধ আদি ছটা ৰিপু সন্দেহ নাই আৰু ইয়াৰপৰাই স্পষ্টভাবে ঠাৱৰাব পাৰি যে লিখকে জীৱন যাত্ৰাৰ সাওদক কথাহে কৈছে।

আমি যিবোৰ মাতকথা সাধাৰণ ঘৰুৱা ভাষাত ব্যৱহাৰ কৰোঁ, সেই বোৰ শব্দ লিখকে নিপুণতাৰ সৈতে ব্যৱহাৰ কৰি নিভাজ ঘৰুৱা শব্দেৰে এই কবিতাটো লেখিছে।

সুকাঠী কাঠ—সাৰুৱা কাঠ।

ভালুকৰ সাঙী—এৰিবও নোৱাৰা ধৰিবও নোৱাৰা বোজা।

মূলনাঠী নগৰ—যি নগৰত লাভতো নহয়েই মূলো নাশ হয় সেই নগৰ।

# বিৰহীৰ উক্তি।

'বিৰহীৰ উক্তি' কবিৰ প্ৰাণৰ স্বাভাৱিক ভাষা। কবিতাটো সুন্দৰ আৰু প্ৰাণস্পৰ্শী। জীৱনৰ অনন্ত কামনাৰ অবিৰাম গতি আৰু তাৰ অপূৰ্ণ হেপাহ বৰ্ণণা কৰি এই কবিতাটি লিখা হৈছে। মানুহে ইটোৰ পিচত সিটোকৈ কিমান কামৰ মাজত নিজক আবদ্ধ ৰাখিবলৈ বিচাৰে; কিন্তু সেই সকলোকে অতিক্ৰম কৰি প্ৰাণত অপৰিসীম তৃষ্ণা অনন্ত পিয়াহৰ পোৱণি মানৱ জীৱনত অতি স্বাভাৱিক। স্নেহ, প্ৰীতি, কৰুণা,

আদি অন্তৰৰ কোমল ভাবে শান্তিৰ আভাস দিয়ে, কিন্তু সেইবাবে প্ৰত্যেকৰ লগতে বিষিনি জড়িত। প্ৰীতিৰ বান্ধ যিমানে গাঢ় তাৰ আনুষঙ্গিক আনবোৰ বিকাৰ বিতৃষ্ণাও সিমানে তীব্ৰ। কবিয়ে কৈছে যে বিমল প্ৰীতি অন্বেষণ কৰাই মোৰ জীৱনৰ উদ্দেশ্য; কিন্তু মোহ-মৰীচিকাত অচলা হৰিণা পোৱাদীৰ দৰে কাতৰ হৈছোঁ, প্ৰীতিৰ উদ্দেশ পোৱা নাই।

---

## সন্তাপ

সংসাৰত সুখ নাই—অকল এয়ে নহয়, কুটিলতা নীচতা আদিও আছে। মানুহৰ অতৃপ্ত প্ৰাণৰ তপত আবেগ আৰু চিৰন্তন হুমুনিয়াহ এটা এইবোৰ পদ্যৰ মাজেদি প্ৰকাশ পাইছে।

---

## মৰণ

কবিয়ে মৰণক আহ্বান কৰি কৈছে যে তুমি মোৰ চিৰসঙ্গী আজন্ম সহচৰ। লৰা কালৰ ধেমালিত বা ডেকা কালৰ সংসাৰী জীৱনত তুমি অদৃশ্য ভাবে থাকি সংসাৰৰ সুখৰ নশ্বৰতালৈ চাই হাঁহিছিলা। জীৱন পথত মৰমৰ অকল-শৰীয়া, লৰা-ছোৱালী, আই-ভাই সকলো কালৰ সোঁতত লীন গৈছে, ইমান দিনে তুমি মোক আপোন হৈও আঁতৰি আছা, আজি তোমাক কাকুতি কৰি মাতিছোঁ,—মোৰ দেখা দিয়া, জগতৰ সুখ দুখ সকলো নেওচন দি এৰিলো, মোৰ জীৱন অন্তত, হে প্ৰিয় সখা, তোমাৰ কাষ চপাই লোৱা। তোমাৰ দিব্য ৰূপকে চাই সংসাৰৰ সকলো জ্বালা যন্ত্ৰণা পাহৰিম।

---

## কলিকতা বিশ্ববিদ্যালয়ৰ মেট্রিকুলেচন পৰীক্ষাৰ প্ৰশ্নাৱলী

### ১৯৪০

1. How does the poet paint the picture of the advent of spring in the poem—বহাগীৰ বিয়া ?

2. Give the substance of the poem—ফল্গু ।

3. Quote from memory any eight consecutive lines from any one of the following poems :—

বিশ্ব, বশিষ্ঠাশ্ৰম, গোবাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী ।

4. Explain with reference to the context any two of the following :—

(a)

কত কাব্যগাথা অতীতৰ স্মৃতি
উদাস প্ৰেমৰ মূৰ্ত্ত বিকাশ,
বিজড়িত তোৰ কোমল বুকুত
কত বিৰহীৰ হা-হুতাশ ।

(d)

মৰু প্ৰান্তৰৰ শ্ৰান্ত পথিকৰ
তুমিয়েহে পান্থ তৰু,
কৰা সঞ্জীবিত তৃষিত জনৰ
দগধ হৃদয় মৰু ।

### ১৯৪১

1. তলত দিয়া কবিতাকেইটাৰ ভিতৰত যেই সেই এটাৰপৰা একেলানিয়ে আঠশাৰী মুখস্থ লিখা :—

বহাগীৰ বিয়া, ভিক্ষা, ভেঁটকলি ।

2. জোন আৰু জোনাকী পৰুৱাৰ মাজত হোৱা কথা বতৰাখিনি তোমাৰ কথাৰে লিখা। ইয়াৰপৰা কবিয়ে কি নীতিশিক্ষা দিব খুজিছে ?

Or,

তলতদিয়া কবিতাকেইটাৰ ভিতৰত যেই সেই এটাৰ মূল ভাৱটো তোমাৰ কথাৰে লিখা :—

ছায়াচিত্ৰ, মৰমৰ পখা।

4. তলতদিয়া পদ্যাংশকেইটাৰ মাথোন দুটা কোন সূত্ৰে ক'ত কোৱা হৈছে উল্লেখ কৰি ব্যাখ্যা কৰা :—

(a) মন্দিৰে মন্দিৰে মুমুক্ষু মণ্ডলী
মৃদঙ্গ মঞ্জীৰ বাই,
মহেশ মহিমা মধুৰ কাৰ্ত্তন
মহানন্দ মনে গায়।

(d) মানস বণত চৰি সুবলা সুবলা
গাথিছিলা দীপ্তিময়ী কবিতাৰ মালা ;
অগৰু চন্দন সানি পুষ্প কাননত
পিন্ধালা লাহৰিগালা বাণীৰ কণ্ঠত।

১৯০২

6. তলতদিয়া কবিতাকেইটাৰ ভিতৰত যেই সেই এটাৰপৰা একেলানিয়ে ৮ শাৰী মুখস্থ লিখা :—

বিশ্ব, আৱাহন, বশিষ্ঠাশ্ৰম, গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী।

8. গছৰপাত কবিতাত কবিয়ে প্ৰকৃতিৰ ৰীতি কেনেকৈ বৰ্ণনা কৰিছে আৰু তাৰপৰা কি নীতিশিক্ষা দিব খুজিছে লিখা।

বা,

তলতদিয়া কবিতাকেইটাৰ ভিতৰত যেই সেই এটাৰ মূল ভাৱটো তোমাৰ কথাৰে লিখা :—

বহাগীৰ বিয়া, ভিক্ষা।

9. তলতদিয়া পদ্যাংশকেইটাৰ মাধোন দুটা কোন সূত্ৰে ক'ত কোৱা হৈছে উল্লেখ কৰি ব্যাখ্যা কৰা : -

(c) জালিকটা যি কেডালি আছে পুষ্পহাৰ,
সিয়েহে মাথোন ভাষা কৰিছে পোহৰ।

(e) ফলৰ ভৰত তোমাকেহে যেন
আহ্বানিছে তৰুৰাজি ;
নিৰ্ম্মল ধ্বনী কৰা মধুময়
দিব্য আভৰণে সাজি।

১৯৪৩

5. বহাগীৰ বিয়া কবিতাটিত বসন্তকালটো কেনেকৈ বৰ্ণনা কৰা হৈছে লিখা।

বা,

বণিজৰ কথা কবিতাটোৰ কথাখিনি বহলাই লিখা।

6. বশিষ্ঠাশ্ৰমৰ প্ৰকৃতিৰ বৰ্ণনাটো তোমাৰ কথাৰে লিখা।

বা,

তলতদিয়া কবিতাকেইটাৰ যেই সেই এটাৰ মূল ভাৱটো তোমাৰ কথাৰে লিখা :—বিষাদ, মৰণ, আৱাহন।

7. তলতদিয়া কবিতাকেইটাৰ ভিতৰত যেই সেই এটাৰ পৰা একেলানিয়ে ৮ শাৰী মুখস্থ লিখা :—ভেটকলি, ফল্গু, শ্ৰীশঙ্কৰদেৱ, ভিক্ষা।

8. তলতদিয়া পদ্যাংশ কেইটাৰ মাথোন দুটা কোন সূত্রে ক'ত কোৱা হৈছে উল্লেখ কৰি ব্যাখ্যা কৰা :—

(a) লাহে ধীৰে বলে কটকী মলয়
প্রেম মধু অভিলাষী,
বোকোচাত বান্ধি আনিছে ফুলৰ
স্বৰ্গীয় সৌৰভ ৰাশি।

(b) মলিন ধৰাৰ ধুলি শৰীৰৰ
দিয়াহি সাদৰে ধুই,
হৰিৎ বৰণ শস্যৰ ভঁৰাল
বুকুত ভৰাই লই।

১৯৮৭

5. তলত দিয়া কবিতাকেইটাৰ ভিতৰত যেই সেই এটাৰপৰা একেলানিয়ে ৮ শাৰী মুখস্থ লিখা—

বহাগীৰ বিয়া, মৰমৰ পথা, বিশ্ব, বশিষ্ঠাশ্রম।

7. বণিজৰ কথা কবিতাটোৰ কথাখিনি চমুকৈ লিখা আৰু তাৰ-পৰা কবিয়ে কি নীতিশিক্ষা দিব খুজিছে লিখা।

বা, তলত দিয়া কবিতা কেইটাৰ যেই সেই এটাৰ মূল ভাবটো লিখা—
পছৰপাত, মৰণ, বিৰহীৰ উক্তি।

8. তলত দিয়া পদ্যাংশ কেইটাৰ মাথোন দুটা কোন সূত্রে ক'ত কোৱা হৈছে উল্লেখ কৰি ব্যাখ্যা কৰা—

(c) সাদৰে গ্রহণ কৰাহে জননী
সেৱকৰ পুষ্পাঞ্জলি,
স্বাৰ্থবলিদান জীৱন আহুতি
দিলো চৰণত ঢালি।

(d) সুখ দুখ, হাঁহি অশ্ৰু, হৰ্ষ বা বিষাদ
তোমাতেই উত্তৰ বিলয়,
অনুকূল, প্ৰতিকূল তুমিয়ে জীৱৰ
সকলোতে দেখো তুমিময়।

## ১৯৩৫

১। জোন আৰু জোনাকীৰ ভিতৰত কি তৰ্ক-বিতৰ্ক লাগিছিল? দুয়োৰো ভিতৰত কোন ডাঙৰ কোন সৰু বুলি সমিধান পোৱা গ'ল?

বা,

"ছায়া-চিত্ৰ বোলা কবিতাটিত উল্লেখ কৰা ৰূপহী ছোৱালীজনী অদৃশ্য হোৱাৰ পাচত কবিৰ মনত কি ভাবৰ উদয় হ'ল?

২। গছৰ পাত কবিতাটিৰ মূল ভাবটো বহলাই লিখা।

৩। ব্যাখ্যা কৰা—

(ক) যত দিয়া দুখদৈন্য কান্ধত চপাই,
নলো একো বেজাৰ মনত,
তোমাৰ বিভূতি জানি সকলো সহিম
যত দিন থাকোঁ সংসাৰত।

(খ) কত যুগ মাৰ গল কালৰ সোঁতত
আজিও বশিষ্ঠাশ্ৰম আছে একেভাৱে
আৰ্য্যৰ গৌৰৱ ঘোষি মৰ্ত্ত্য ভুবনত
বিজেতাৰ হেন্দোলনি সহিছে নীৰৱে।

# কঠিন শব্দবিলাকৰ সৰল ভাঙনি

অধিষ্ঠাত্ৰী—স ; শঃ অধিকাৰিণী, কোনো বস্তুৰ ঘাই গৰাকিনী।

অনুকূল—বি, হিত, উপকাৰী।

অন্তৰযামী, ( পণ্ডিত )—স ; শঃ ( স ; অন্তৰ্য্যামী ) সকলোৰে মনৰ ভাব বুজা।

অন্ধকাৰাগাৰ—স ; শঃ (অন্ধকাৰ—আন্ধাৰ+আগাৰ—ঘৰ) আন্ধাৰ ঘৰ।

অবগাহি—অ ; ক্রি, (স ; অবগাহন ; অব+গাহ—মগ্ন হোৱা—ভাবে+অনট ) স্নান কৰি।

অবসাদ—স ; শঃ ম্রিয়মান, বিষাদ, দুখ, বেজাৰ।

অভ্ৰভেদী—বি ( স ; অভ্ৰ—আকাশ+ভিদ্—ভেদ কৰা+ণিন, পুঃ ) আকাশ লঙ্ঘিব পৰা, ওখ গছ, পৰ্ব্বত

অলকা—স্ত্ৰী ; কুন্তল, কেশ।

আচম্বিতে—ক্রি, বি, গম নোপোৱাকৈ, অকস্মাতে।

আয়তী—বি ; স্বামী থকা তিৰোতা।

আৰতী—স ; শঃ গধুলী বেলা প্ৰতিমাৰ ওচৰত বন্তি লগাই দবা ঘণ্টা বজোৱা কাৰ্য্য।

আহুতি—স ; শঃ দেৱতাৰ উদ্দেশ্যে অগ্নিত নিক্ষেপ কৰা ঘিউ, হোম।

আবাহন—স ; শঃ সম্ভ্ৰমেৰে বৰণ কৰা।

ইন্দু নিভাননী—স ; শঃ ( সং ইন্দু, জোন+নিভ, নিচিনা+আনন মুখ ) জোনৰ নিচিনা মুখ যাৰ এতেকে সুন্দৰী স্ত্ৰী।

ঈষৎ—ব্য, কিঞ্চিৎ।

কন্দৰ্প কুমাৰ- স ; শঃ কামদেৱৰ পুত্ৰ, তেওঁ অশেষ ৰূপবান আছিল।

কৰধনী—সঃ শঃ কঁকালত পিন্ধা সোণ বা ৰূপৰ হাৰ।

কুঙ্কুম—সঃ শঃ কাশ্মীৰ দেশত হোৱা এবিধ সুগন্ধি বস্তু।

কুক্ষি—সঃ শঃ নাওৰ ভিতৰৰ কোঠালী।

কুমুদিনী—সঃ শঃ অধিক ভেঁট ফুল থকা ঠাই।

কুসুমাভৰণ—স্ত্রী (কুসুম+আভৰণ) ফুলৰ অলঙ্কাৰেৰে সজ্জা।

কুসুম-ফুল—ত্রি, সোন বাৰণীয় এবিধ ফুল।

খদ্যোৎ—সঃ শঃ (সঃ খ, আকাশ+দ্যুতি, পোহৰ) জোনাকী পৰুৱা।

গোমচেং—সঃ শঃ এবিধ অসমীয়া মিহি পাটৰ কাপোৰ।

গন্ধ বণিক—সঃ শঃ সুগন্ধি বস্তু যোগাওঁতা।

চকোৰ—সঃ শঃ জোন্যক নিশা জোনৰ পোহৰ ভাল পাই উৰি ফুৰা এবিধ সৰু চৰাই।

চন্দ্রিকা—স্ত্রী, জোনৰ পোহৰ।

চিন্তামণি—সঃ শঃ বাঞ্ছিত ফল দিব পৰা মণি, পৰশমণি।

ছো-ঘৰ—সঃ শঃ ভাৰতীয় সকলৰ ভাও লোৱা ঘৰ।

জোৰোণ—সঃ শঃ বিয়াৰ আগেয়ে দৰা ঘৰৰপৰা কন্যালৈ পঠিওৱা উপহাৰ।

ঝঙ্কাৰ—পুঃ সুন্দৰ অস্ফুটধ্বনি, নুপূৰ দিব মৃদু স্বৰ।

ডিঙা—সঃ শঃ বেপাৰী নাও।

তন্দ্রালস—ত্রি. (তন্দ্রা+অলস) কলা খুমটি।

তির্য্যক—বা, বেঁকাবেঁকা।

তোৰণ—স্ত্রী বাটচৰা।

দৰদী—বি, দুখত দুখী।

দাদুৰী—সঃ শঃ ভেকুলি।

দিপলিপ—বি, নৰম লগা, ধুনীয়া (সৰু লৰা ছোৱালীত খাটে)।

দিব্যাঙ্গনা—স্ত্রী, (দিব্য-সুন্দৰ, স্বৰ্গীয় + অঙ্গনা, উত্তমা স্ত্রী) দেৱকন্যা।

দুলালী—স্ত্রী, মনোহাৰিণী, প্ৰিয়তমা।

দিলবাহাৰা—বি, হৃদয়ৰ তৃপ্তিদায়ক।

নিকেতন—সঃ; শঃ থকাঘৰ।

নিদাঘ—পুঃ গ্ৰীষ্মকাল, ঘাম, তপত।

নিমাওমাও—বি, হাই উৰুমি নোহোৱা ঠাই।

নিলয়—স; শঃ থকা ঘৰ।

পঞ্চশৰ—স, শঃ (সং পঞ্চশৰ—পঞ্চ, পাঁচ+শৰ, বাণ; যি পাঁচ পাট শৰে সকলো প্ৰাণীৰ মনত শৃঙ্গাৰৰ ভাৱ জন্মায়) সম্মোহন, উন্মাদন, শোষণ, তাপন আৰু স্তম্ভন পাঁচ বিধ বাণ; অৰবিন্দ, অশোক, আম্ৰ, নৱমল্লিকা আৰু ৰক্তোৎপল এই পাঁচ বিধ ফুলৰ শৰ ধাৰণকাৰী কামদেৱ।

পৰাগ—স; শঃ; ফুলৰ ৰেণু, ধুলি, চন্দন।

পৰিত্যক্ত—ত্ৰি, সম্যক্ বৰ্জ্জিত, পৰিত্যাগ কৰা।

পৰিমল—পুঃ সুগন্ধি ফুলৰ মৌ, সম্ভোগ।

পল্লৱ—সঃ শঃ কুমলীয়া নতুন ডাল পাত।

পাৰাবাৰ—সঃ; শঃ সাগৰ।

পানীগছা—স; শঃ সূৰ্য্যৰ আকৰ্ষণত সাগৰৰপৰা এজোপা গছৰ নিচিনা হৈ উঠা বাষ্প।

পাৰ্থিৱ—পুং পৃথিৱী সম্বন্ধীয়।

পিয়াৰী—বি, সাদৰী।

পীযূষ—ক্লী, অমৃত, নতুন গৰুৰ গাখীৰ।

প্ৰতিকূল—বি, বিপৰীত গতি, বিপক্ষ।

প্ৰতীচ্য—ত্ৰি, (সং প্ৰতীচী—পশ্চিমদিক্+ষ্ণ্য) পশ্চিম দিশত ওপজা।

প্ৰাচীৰ—স ; শঃ ইটা বা শিলৰ গড়।

প্ৰান্তৰ—স ; শঃ গছ লতা নোহোৱা মুকলি পথাৰ।

ফুল্ল—বি, ফুলি থকা।

বঙ্কিম—বি ধেনুভিৰীয়া।

বাণী—স ; শঃ সৰস্বতী, বাক্য।

বাৰিধাৰা—স্ত্ৰী, পানীৰ সোঁত।

বালাৰ্ক—পুং (সং বাল—শিশু+অৰ্ক, সূৰ্য্য) ৰাতিপুৱা পোনতে ওলোৱা ৰ'দ।

বিটপী—পুং ( সং বিটপ—শাখা+ইন ) গছ।

বিধুৰা—স্ত্ৰী, বিহ্বলা।

বিভীষিকা—স্ত্ৰী, অত্যন্ত ভয়লগা।

বিভ্ৰম—স ; শঃ ভুল ধাৰণা।

বিম্বফল—স ; শঃ বেলি পকা, কোৱাভাতুৰী।

বিশ্বদাহী—বি, সংসাৰ দহন কৰোঁতা।

বীজমন্ত্ৰ—ত্ৰি, মূলমন্ত্ৰ।

বৃশ্চিক—স ; শঃ এবিধ বিষাক্ত বিছা।

বেইঘৰ—স ; শঃ দৰা বা কন্যাক গা ধুওৱা ঘৰ।

বৈজয়ন্তী—স ; শঃ ইন্দ্ৰনগৰী, স্বৰ্গ।

বৈতৰণী—স ; শঃ যমৰ নগৰৰ বাটত থকা নৈ, প্ৰেতনদী।

বৈতালিক—পুং স্তুতি পাঠক।

ভালে—ক্ৰিঃ বিঃ কপালত।

মকৰন্দ—স ; শঃ ফুলৰ মৌ।

মছগুল্—বিভোৰ।

মঞ্জৰি—সং শঃ ফল বা ফুলৰ কলি।

মঞ্জীৰ—সং শঃ খুটিতাল।

মঞ্জু—বি, সুন্দৰ।

মঞ্জুল—বি, ধুনিয়া, নিকুঞ্জ।

মণ্ডপ—সং শঃ ফুলৰ মালা আদিৰে শোভিত কৰা কাপোৰৰ ঘৰ।

মদালাপী—পুং ( মদ+আলাপিন্ ) কুলি চৰাই।

মধুৰিমাময়—বি, অতি মধুৰ।

মন্থৰ—ত্রি, অলস, ধীৰ।

মন্দাকিনী—স্ত্রী, আকাশী গঙ্গা।

মৰাল—পুং ৰাজহাঁহ।

মৰীচিকা—স্ত্রী, সূৰ্য্যৰ কিৰণত হোৱা জলভ্ৰম।

মৰ্ম্মৰ—বি মাৰ্ব্বল পাথৰ।

মল্লিকা—স্ত্রী, এবিধ সুগন্ধি বগা ফুল।

মহেশ—সং শঃ পৰমেশ্বৰ।

মাকন্দ—সং শঃ আম গছ, চন্দন গছ।

মাগধী—স্ত্রী, মগধ দেশ জাত, যুতিফুল।

মাধবী—স্ত্রী, এবিধ লতাৰ ফুল, বসন্তকাল।

মানস সৰস—স ; শঃ হিমালয় পৰ্ব্বতত্ থকা সৰোবৰ বিশেষ।

মালঞ্চ—স ; শঃ ফুলেৰে শোভিত স্থান।

মুকুল—স ; শঃ ফল বা ফুলৰ কলি।

মুক্তসঙ্গী—স্বাধীন ভাৱে ফুৰা লগ।

মুমুক্ষু—বি, মুক্তি কামনা কাৰী।

মুহুৰ্মুহুঃ—ব্য, ( মুহুস্+মুহুস্ ) পুনঃ পুনঃ, ঘনে ঘনে।

মৃণাল—স ; শঃ মোলান।

মেঘাগমাগমে—ক্রি, বি (মেঘ+আগম ; বৰ্ষাকাল+আগমে, আগমনত) বৰ্ষাকালৰ আগমনত।

বঙ্কিম—বি, সুন্দৰ বঙা বৰণীয়া ;

বচকী—স্ত্রী, বৰকৈ ধুনপেঁচ মাৰি ধেমেলীয়া কথা কব জনা তিৰোতা।

ৰাজি—সঃ শঃ সমূহ, শ্রেণী।

লবনু—স ; শঃ ( স ; নবনীত ) গাখীৰৰ সৰ।

ললন্তিকা—স ; শঃ ডিঙিৰ পৰা নাভিলৈকে ওলমি থকা মালা।

সঁফুৰা—স ; শঃ সাঁফৰ লগোৱা সুন্দৰ কাঠৰ টেমা।

সমাধি—স, শ, ধ্যান, বাহ্যজ্ঞান এৰি গভীৰৰূপে ঈশ্বৰৰ চিন্তা।

সবিৎ—স ; শ, নিজৰা।

সহকাৰ—সঃ, শঃ আমগছ।

স্নিগ্ধ—বি, স্নেহ যুক্ত, মধুৰ।

সুধাকণ্ঠী—পুঃ যি সুললিত সুৰত গীত গাব পাৰে।

সৌম্য—পু, শান্ত মূৰ্ত্তি।

স্তৰে স্তৰে—ক্রি, বি থাপে থাপে।

স্বচ্ছ—বি, কাচৰ নিচিনা।

হৰিৎ—বি, সেউজীয়া।

হমৃথেকতে—ক্রিঃ বি, হঠাৎকাৰে।

হলাহল—সঃ শঃ চোকা বিহ।

হিৰণ কিৰণ—স, শঃ, সোণালী জ্যোতি, উজ্জ্বল পোহৰ।

হিৰণ্ময়—বিঃ সোণবৰণীয়া উজ্জ্বল কান্তি।

হুতাশী—পুঃ দহনকাৰী।

হেৰেম—সঃ শঃ অন্তেসপুৰ।

---